চাঁদমামা

ডিসেম্বর ১৯৮৭

Rs 2.50

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

নতুন উন্নত ফেৰেক্স®

আপোনাৰ সন্তানৰ কাৰণে গোটা আহাৰ খুওৱাৰ এটি আদৰ্শ আৰম্ভণী।
কিয়নো ইয়াত সন্তানৰ বিকাশৰ উপযোগী উপাদান আছে।

প্ৰোটিন আৰু স্নেহ পদাৰ্থৰ মিশ্ৰণ

প্ৰোটিনেৰে ভৰপূৰ ফেৰেক্স'এ সন্তানৰ সুস্থ গঢ়ন-বাঢ়নত সহায় কৰে। নতুন উন্নত ফেৰেক্স শিশুৰ নুমলীয়া হজম শক্তিৰ উপযোগীকৈ বিশেষভাবে তৈয়াৰী। ইয়াত সঠিক পৰিমাণৰ স্নেহ পদাৰ্থ মিশ্ৰিত থাকে।

সুস্থ তেজৰ কাৰণে লৌহ পদাৰ্থ

সন্তানৰ শৰীৰত জমা থকা লৌহ পদাৰ্থ চতুৰ্থ মাহত কম হৈ যায়। ফেৰেক্স'ত থাকে পৰ্য্যাপ্ত লৌহ পদাৰ্থ যাতে শিশুৰ তেজ সুস্থকৈ ৰখাত আৰু শৰীৰৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা গঢ়ি তোলাত সহায় কৰে।

কেলচিয়াম-ফচফৰাচৰ আদৰ্শ অনুপাত

শিশুৰ দাঁত আৰু হাড় সুস্থভাবে গঢ়ি তুলিবলৈ কেলচিয়াম আৰু ফচফৰাচৰ একান্ত প্ৰয়োজন। আৰু সেই কাৰণেই ফেৰেক্স'ত কেলচিয়াম-ফচফৰাচৰ ২ঃ১ আদৰ্শ অনুপাত ৰখা হৈছে। ফেৰেক্স'ৰ প্ৰত্যেক আহাৰ এতিয়া অধিক সোৱাদভৰা। মিহলোৱাটোও অতি সহজ।

গাখীৰ মিহলোৱাৰ প্ৰয়োজন নাই!
মাথো পানী মিহলাওক আৰু খুৱাওক।

নতুন উন্নত **ফেৰেক্স**®

CLARION/B/GX/15/203/ASM

শ্ৰী গৌতম গোস্বামী
8/12/87

চান্দমামা

ডিচেম্বাৰ ১৯৮৭

এই সংখ্যাত আছে

অমৰবাণী	:	৭
চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯
অশোক-সুন্দৰী	:	১০
বাট-অবাট	:	১১
সমাধানৰ সৰল কথা	:	১৫
জ্বালাদ্বীপ	:	১৯
অন্তৰৰ আহ্বান	:	২৭
গতিশীলতা-কাপুৰুষতা	:	৩৪
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
চন্দ্ৰগ্ৰহণৰ ৰহস্য	:	৩৯
তাও	:	৪২
কুষ্ণাৰতাৰ	:	৪৩
পাত্ৰ-অপাত্ৰ	:	৫১
কবিতা ক'ৰপৰা ওলায়	:	৫৬
শ্ৰমৰ মাধুৰ্য্য	:	৬১
প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ২'৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০'০০ টকা মাথোন

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসন্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ মুখত!

পিপাৰমেন্ট আৰু স্পিয়াৰমেন্টৰ সতেজ সজীৱ আমেজ। বঢ়িয়া ফৰ্মূলাৰ নিমিত্তে বিয়পি পৰা ফেনেৰে দাঁত চিকচিকীয়াকৈ পৰিস্কাৰ কৰে, নিশ্বাসত স্নিগ্ধ সুগন্ধ।

নতুন পন্ডচ টুথপেস্টৰে দাঁত ঘঁহিবলৈ অকণো আমনি নালাগে, বৰং ভালহে লাগে। চাব, সৰু সৰু ল'ৰা-ছোৱালীয়ে এই টুথপেস্টৰে দাঁত ঘঁহিবলৈ বৰ ভাল পাব।

আজিয়েই নতুন পন্ডচ টুথপেস্ট কিনক। আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা হৈ উঠক সুন্দৰ, সাৰ্থক।



বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...

... বৰ সহজেই দাঁতৰ মৰলা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা চাফা কৰি দি দাঁত শুভ্ৰ আৰু চিকমিকীয়া কৰি তোলে।

নতুন
পন্ডচ
টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

OBM 9795 ASS



চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

'চান্দমামা'ই পতা 'মহান ভাৰতীয় ঐতিহ্য-প্রতিযোগিতা'ত অংশগ্রহণকাৰীসকললৈ কোৱা হৈছে যেঃ 'বাম্পাৰ প্রাইজত বিজয়ী' হ'বলৈ হ'লে প্রতিযোগিতা-১, প্রতিযোগিতা-২, আৰু প্রতিযোগিতা-৩-অৰ কুপন তিনিওখন অৱশ্যেই বিজ্ঞাপনত উল্লেখ কৰা ঠিকনালৈ সঠিকভাৱে পঠাব লাগিব। যিসকলে এতিয়ালৈকো পঠোৱা নাই, সেইসকলে এতিয়াই যাতে পঠাই দিয়ে তাৰ বাবে এই অনুৰোধ জনোৱা হ'ল।

অমৰ-বাণী

কিম্ কৰোত্যেব পাণ্ডিত্যমস্থানে বিনিয়োজিতম্।
অন্ধকাৰ প্রতিছন্নে ঘটেদীপ ইবাহিতঃ॥

[অনুপযুক্ত ঠাইত পাণ্ডিত্যৰ প্রদর্শন নিষ্প্রয়োজনীয়। কিয়নো, বন্ধ হৈ থকা চৰুৰ ভিতৰস্থ এন্ধাৰ গুচাবলৈ সেই চৰুৰ ভিতৰত চাকি থৈ দিলেও অন্ধকাৰ নুগুচা হয়।]

বছৰঃ ১২ ডিছেম্বাৰ ১৯৮৭ সংখ্যাঃ ৯

খনেঃ ২'৫০ টকাঃ ঃ বছৰেকীয়া বৰঙণিঃ ৩০'০০ টকা

খেল, খেলনা, কমিক্স ৰেৰিং
ৰবিক লাগে আৰু ইণ্টাৰেষ্টিং
নিজেই ভাবিব, নিজেই আঁকিব
দিনৰ দিনটো মজাৰে কাটিব!
এক' স্কেচ পেন হাতত ললে
ঘৰ সাজিলে, জাহাজ আঁকিলে
দেউতাকৰ বৰ বৰ দাড়ি, এজন চিকাৰী
এটি ভাটো, আৰু কতযে কি!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
EKCO
এক'
স্কেচ পেন — ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোদ, ভিলে পাৰ্লে (পূৰ্ব), বোম্বাই-৪০০ ০৫৭.
ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.
Trikaya E-2-86-ASM

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

সাগৰ-নগৰ



বসবাসৰ কাৰণে মাটি-বাৰীৰ অভাৱ হ'লেও জাপান দেশৰ জনসাধাৰণৰ কোনো অসুবিধা ন'হব। কিয়নো, টোকিও মহানগৰীৰপৰা ১৫০ কিল'মিটাৰ নিলগত সাগৰৰ বুকুত নগৰ এখন নির্মাণ কৰাৰ আঁচনি লৈছে জাপান চৰকাৰে। বহলে ৫ কিল'মিটাৰ সাগৰৰ বুকুত এই ভাসমান নগৰখন বিৰাট বিৰাট স্তম্ভৰ ওপৰত নির্মিত হ'ব। সাগৰৰ বুকুত এই নগৰ নির্মাণ কৰোঁতে ১০০ মিলিয়ন টন লো-তীখাৰ আৱশ্যক হ'ব আৰু আনুমানিক ব্যয় হ'ব ২ লাখ মিলিয়ন ডলাৰ!

আটাইতকৈ ওখ হাতী



হাতী সাধাৰণতে ৯-১০ ফুট ওখ হয়। পিছে—নেপালৰ শুক্লাফান্টা ওৱাইল্ডলাইফ ৰিজার্ভত ১১ ফুট ৫ ইঞ্চি উচ্চতা-সম্পন্ন এটা ৬৫ বছৰীয়া হাতী আছে। এই হাতীটোৱেই পৃথিৱীৰ আটাইতকৈ ওখ হাতী। ভাৰত-নেপাল সীমাত অৱস্থিত এই অভয়াৰণ্যত আনুমানিক ৩০০০ হাজাৰ হৰিণ [এন্টিলোপছ] আছে। এইবোৰ হৰিণৰ শিং ছ-ভঁজুৰা!

লেনিনৰ-ঘড়ী

১৯১৮ চনলৈকে লেনিনে যিটো জেপ-ঘড়ী ব্যৱহাৰ কৰিছিল, সেই ঘড়ীটো মিউনিখত ১০৩,০০০৲ ডলাৰত নীলামত বিক্রী হৈছিল। বোলশ্বেভিক বিপ্লৱৰ আগতে এই ঘড়ীটো আছিল জাৰৰ অধিকাৰত। কিছুকাললৈ ব্যৱহাৰ কৰাৰ পাছত লেনিনে এই জেপ-ঘড়ীটো কাৰ্লিব্ নেকৃটৰক উপহাৰ হিচাপে দিছিল। নেকৃটৰ আছিল জার্মানদেশৰ এগৰাকী নেতা আৰু পার্লিয়ামেণ্টৰ সদস্য।

যোগ-সংযোগ



হৃদপিণ্ড তথা বুকুৰ বেমাৰৰ প্ৰতিৰোধৰ বাবে যোগ-ব্যায়ামৰ চর্চা কৰা হৈছে। এই বিষয়ত গৱেষণাৰ বাবে ভাৰত আৰু ছোভিয়েতৰ মাজত হোৱা চুক্তি অনুসাৰে এটি পৰিকল্পনা কৰা হৈছে। মস্কোৰ সংস্থা এখানে দিল্লীত অল ইণ্ডিয়া ইনস্টিটিউট অৱ মেডিকেল ছায়েন্সৰ সহযোগত যোৱা তিনি বছৰ ধৰি এই বিষয়ে গৱেষণা কৰি আছে।

পুৰাণ-গাথা

অশোক-সুন্দৰী

নন্দনবনত ভ্ৰমি ফুৰোঁতে শিৱই এজোপা গছলৈ আঙুলিয়াই পাৰ্বতীক ক'লে, "এইজোপা বৃক্ষৰপৰা যি খুজিবা তাকে পাবা। সেয়েহে এই বৃক্ষৰ নাম 'কল্পবৃক্ষ'। পাৰ্বতীয়ে কল্পবৃক্ষৰপৰা তেতিয়াই এজনী কন্যা-সন্তান খুজিলে, আৰু মুহূৰ্ততে পাৰ্বতীয়ে কন্যাসন্তান পোৱা হ'ল। এই কন্যাসন্তানটিৰ নাম হ'ল 'অশোক-সুন্দৰী'।

এই অশোকসুন্দৰীক হুণ্ডাসুৰ নামৰ ৰাক্ষস এটাই লালন-পালন কৰিবলৈ ধৰিলে। গাভৰু হোৱাৰ পাছত অশোকসুন্দৰীক বিয়া কৰাব বুলি হুণ্ডাসুৰে ভাবি থৈছিল। কিন্তু পাৰ্বতীয়ে অশোকসুন্দৰীক উৰ্বশী-পুৰুৰবাৰ আত্মীয় নহুষক দিব বুলি মনতে পাঙি থৈছিল। তেতিয়া পাৰ্বতীৰ নিৰ্দেশ মতে এজন পৰিচাৰিকাৰ তত্ত্বাৱধানত নহুষক ডাঙৰ-দীঘল কৰা হৈছিল। হুণ্ডাসুৰে নহুষক অপহৰণ কৰি লৈ গ'ল আৰু তাৰ পত্নীক ক'লে, "এই ল'ৰাটোক কাটি-কুটি ৰান্ধি মোক খাবলৈ দিয়া। হুণ্ডাসুৰৰ পত্নীয়ে ৰান্ধনি মানুহজনক এই দায়িত্ব দিলে। ৰান্ধনি মানুহজনে নহুষক মাৰি নেপেলাই ঋষি বশিষ্ঠৰ আশ্ৰমত থৈ আহিলগৈ, আৰু আন এটা সাধাৰণ জন্তু কাটি সেই মাংস ৰান্ধি হুণ্ডাসুৰক খাবলৈ দিলে।

নহুষ ঋষি বশিষ্ঠৰ আশ্ৰমত ডাঙৰ-দীঘল হৈ থাকিল। এদিন নহুষে এজন মানুহে গাই থকা গীত শুনি তাৰ সৈতে অশোকসুন্দৰীৰ বিবাহৰ কথা বুজি পোৱা হ'ল! নহুষ তেতিয়াই অশোকসুন্দৰীৰ ওচৰলৈ ৰাওনা হ'ল। গৈ গৈ অশোকসুন্দৰীক লগ পাওঁতে তাত হুণ্ডাসুৰক দেখা পালে নহুষে। হুণ্ডাসুৰে তাক বিয়া কৰাবলৈ অশোকসুন্দৰীক জুলুম কৰি আছিল তেতিয়া। নহুষে হুণ্ডাসুৰক আক্ৰমণ কৰি তাক বধ কৰিলে, আৰু অশোক-সুন্দৰীক বশিষ্ঠৰ আশ্ৰমলৈ লৈ আহিল। মহৰ্ষি বশিষ্ঠই নহুষৰ সৈতে অশোকসুন্দৰীক যোৰা পাতি দিলে।

বাট-অবাট

সিংহপুৰত শিৱনাথ আৰু কেশৱ নামৰ দুজন বন্ধু আছিল। পঢ়া-লিখা সাং কৰি, সিহঁত দুয়ো ওচৰৰে ৰজাৰ এখনত বেপাৰত ধৰিলে।

বেহা-বেপাৰ বৰ সহজ কাম নহয়। তথাপি কিছুদিন পাৰ হ'ল। এদিন শিৱনাথে কেশৱক ক'লে, "আমাৰ মূলধন দুগুণ কৰিব পাৰিলেহে আমি যে সঁচা-সঁচিকৈ বেপাৰী, সেই কথাৰ প্ৰমাণ হ'ব। পিছে—এই দুগুণ এবছৰৰ ভিতৰত হ'ব লাগিব! বেহা-বেপাৰ কৰি যিহঁত ধনী হ'ল, সিহঁতে তিনিটা উপায়ৰ যোগেদিহে হ'ল। আটাইবোৰ বেপেৰুৱা ধনিকে একেলগে আটাইবোৰ উপায় নল'লেও—দুটা, বা কমেও এটা উপায় নিশ্চয় লৈছিল। সিহঁতে হয়তো ভেজাল বস্তু-সামগ্ৰী বেচিছিল, বা ওজনত কম দিছিল, আৰু আমিও যদি আমাৰ আ-অৱস্থাৰ সলনি হোৱাটো বিচাৰোঁ, এইবোৰ বেপেৰুৱা ধনিকৰ খোজেৰে খোজ ল'ব লাগিব।"

এই কথা শুনি কেশৱে হাঁহি মাৰি ক'লে, "আমাৰ ভাগ্যত থাকিলে আমিও ধনী হ'ম, নহৈ নোৱাৰিম। অনিয়ায় নকৰিও ধনী নহৈ নোৱাৰিম।"

শিৱনাথে তাৰ উত্তৰত ক'লে, "শুনা, নিয়ায় আৰু অনিয়ায় হ'ল মনৰ কথা। নৰকত পৰাৰ ভয়তে কিজানি পদাপাল দেখিছা। পিছে কথা হ'ল—নৰকত পৰাৰ ভয়েই হ'ল নৰক-যাতনা।"

এই কথাৰ কিছুদিনৰ অন্তত দুয়ো নগৰলৈ গ'ল বস্তু-বাহানি আনিবলৈ।

বনস্কণ্ঠ বৰগোহাঞি

দুয়ো নিজ নিজ কামত ব্যস্ত হৈ থাকিল।

ঘূৰি ঘূৰি বস্তু-বাহানি কিনোতে বেলি মূৰৰ ওপৰলৈ আহিল। গৰমত শিৱনাথৰ অৱস্থা বৰ কাহিল হৈ উঠিল, তাৰ দৃষ্টিৰ আগত সকলো ধুঁৱলী-কুঁৱলী হৈ পৰিল। আৰু এসময়ত সি মূৰ ঘূৰাই বাটৰ ওপৰত বাগৰি পৰিল।

দেখা পাই কমাৰশালৰ কেৰলৰাম দৌৰি আহিল আৰু শিৱনাথক বাটৰপৰা দাংকোলাকৈ বুটলি লৈ গ'ল। তাৰ চকু-মুখত পানী ছটিয়াই দিলে। অলপ সময়ৰ অন্তত শিৱনাথে চেতনা ঘূৰাই পালে। চকু মেলি চায়েই শিৱনাথে কমাৰশালৰ ভাটিত এডাল লোৰ শলা তপত হোৱা দেখা পালে। তপত হৈ ৰঙা হোৱা লোৰ শলাডালৰ পিনে চোৱাৰ পাছত শিৱনাথে কমাৰ কেৰল-ৰামলৈ চালে। কেৰলৰামৰ বিৰাট মোচ-কোচা দেখি সি ভাবিলে ঃ এই কমাৰটো এটা যমৰ টেকেলা। আৰু এই কথাটো কেইবাৰমান ভবাৰ আৰু তালৈ কেইবা-বাৰো চোৱাৰ পাছত শিৱনাথৰ মনত ধাৰণা হ'ল যে সি ৰৌ ৰৌ নৰক পালেহিয়েই। আৰু হঠাৎ সি নৰকত পৰাৰ ভয়ত পাগুৰা কঁপা দি উঠি বিকট আৰ্তনাদ কৰি উঠিল।

তাৰ আৰ্তনাদ শুনি কমাৰ কেৰলৰামে শিৱনাথক সাৰটি ধৰিলেগৈ। শিৱনাথে



হাত যোৰ কৰি ক'লে, "মো-মো-মোক ইয়ালৈ আনিলা কেলে'?"

এই কথাখিনিক কেৰলৰামে শিৰনাথৰ তাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ বুলি ভাবি লৈ ক'লে, "মোৰ ওচৰত হাত যোৰ কৰিবলগা কি আছে? মই কিনো কৰিলোঁ? মই যিখিনি কৰিলোঁ—সেইখিনি ধৰ্ম বুলিহে কৰিলোঁ।" এই বুলি কৈ, তপত লোৰ শলাডাল জুইকুৰাৰপৰা উলিয়াই আনি পৰীক্ষা কৰি চালে সি।

আৰু কমাৰ কেৰলৰামে ৰঙা টিক-টিকীয়া লোৰ শলাডাল হাতত লোৱা দেখিয়েই ভাবিলে যে এইডাল শলা কেৰলৰামে এতিয়াই তাৰ চকুত সুমুৱাই দিব। ভয়ৰ কোবত ঠক ঠককৈ কঁপি কঁপি ক'লে, "বিশ্বাস কৰাঁ, মই কোনো পাপ কাম কৰা নাই, মোৰ চকুত এই শলাডাল সুমুৱাই নিদিবা।"

এই কথাবোৰ চিঞৰি চিঞৰি কোৱাত কমাৰশালৰ আগত ভালেমান মানুহ গোট খাই পৰিল। কেৰলৰামে গোট খোৱা মানুহখিনিক ক'লে, "এই মানুহজন যে কোন—মই ক'ব নোৱাৰোঁ। মূৰ আচন্দ্ৰাই তেওঁ বাটৰ ওপৰত বাগৰি পৰাত মই দাঙি আনি পানী-হুনি ছটিয়াই সুস্থ কৰি তুলিলোঁ। সুস্থ হোৱা পাছৰেপৰাই তেওঁ এনেবোৰ বেবেৰিবাং বকিছে। তেওঁৰ ধাৰণা হৈছে যে মোৰ এই কমাৰশাল



হ'ল প্ৰকৃততে যমৰ ঘৰহে—নৰক, তেওঁ যমালয়ত আছে, মই যমদূত, আৰু এই লোৰ শলাৰে তেওঁক মই শাস্তি-শলা দিম।"

আৰু ঠিক তেতিয়াই শিৰনাথকৰ বন্ধু কেশৰো তাত ওলালহি। কেশৰে কেৰলৰামক ক'লে, "এওঁ মোৰ বন্ধু। থিয় ৰ'দৰ তাপ সহিব নোৱাৰি হয়তো মূঁছকঁছ গৈছিল এওঁ, এতিয়াও সুস্থ হোৱা নাই।"

এই কথা শুনি তাত গোটখোৱা মানুহখিনি তাৰপৰা গুচি গ'ল। আৰু তাৰ পাছত কেৰলৰামক কৃতজ্ঞতা জ্ঞাপন কৰি দুয়ো বন্ধু ঘৰমুৱা হ'ল।

বাটত শিৰনাথে কেশৰক ক'লে, "পাপ-পুণ্য তথা স্বৰ্গ-নৰকৰ সম্পৰ্কে দৰাচলতে মোৰ কোনো বিশ্বাস নাই। অথচ—মই যে কিয় কমাৰ কেৰলৰামক যমদূত আৰু কমাৰশালখনকে যমালয় তথা নৰক বুলি ভাবিলোঁ—সেই কথা ভাবিকে নোপোৱা হৈছোঁ।"

"চোৱাঁ শিৰনাথ, মুখেৰে যেৰেই যি নকওক লাগিলে—পাপ কাম কৰিলেই মনত সদা-সৰ্বক্ষণ ভয় থাকে। চেতনা ঘুৰাই পোৱাৰ পাছত তুমি প্ৰলাপৰ দৰে যি কৈছিলা, আৰু যি ভাবিছিলা, সেয়া কিন্তু তোমাৰ মনৰ কথা আছিল। বিশেষ মুহূৰ্তত কেনেকৈ মনৰ কথা প্ৰকাশ হৈ পৰিল—দেখিলানে?" কেশৰে ক'লে।

"অৱশ্যে কথাটো হওঁতে—কিজানি ঠিকেই কৈছা।" শিৰনাথে ক'লে।

"মৃত্যুৰ অন্তত কোন ক'লৈ যায়—সেই কথা কোনেও আচলতে ক'ব নোৱাৰে। পিছে—মানুহে জীয়াই থকা কালতে নৰকৰ ভীতি অনুভৱ কৰে।" কেশৰে শিৰনাথক ক'লে। শিৰনাথে কেশৰৰ কথা মানি ল'লে।

এই ঘটনাৰ পাছৰপৰা শিৰনাথে সততাৰে সৈতে বেহা-বেপাৰ কৰি বাট এৰি অবাটে যোৱাৰপৰা ৰক্ষা পালে।



সমাধানৰ সৰল কথা

শিৰগিৰি দেশৰ ৰজাৰ নাম আছিল শ্ৰীদত্ত। ৰাজসভাত বহি সদায় ৰজা শ্ৰীদত্তৰ অস্বস্তি হৈছিল, সদায় মূৰ বিষাইছিল আৰু এইবোৰৰ হেতু আছিল ৰাজসভাৰ পণ্ডিত অনিৰুদ্ধ।

ৰাজসভা চলি থকাৰ সময়ত অনিৰুদ্ধই যতমানে অলাগতিয়াল কথাৰ বকলা মেলিছিল। যেতিয়া যি শ্লোক আওৰোৱাৰ আৱশ্যকতা নাছিল, তেতিয়া তেনেবোৰ শ্লোক আওৰাইছিল। সভাপণ্ডিত হিচাপে অনিৰুদ্ধ পঁচিছ বছৰৰ পুৰণি হোৱাত ৰজা শ্ৰীদত্তয়ো অনিৰুদ্ধক একো নকৈছিল। পিছে—অনিৰুদ্ধক ৰাজসভাৰপৰা বাদ দিয়াৰ ইচ্ছা ৰজাৰ মনত নথকা নাছিল।

এদিন পৰিমল শাস্ত্ৰী নামৰ দৰিদ্ৰ ব্ৰাহ্মণ এজনে ৰজা শ্ৰীদত্তক ক'লেহি, “মহাৰাজ, মই পুৰোহিতৰ কাম কৰি পেট প্ৰৱৰ্তাওঁ। ঈশ্বৰে মোক বহুতো সন্তান দিলে; কিন্তু সিহঁতক ঠিকমতে দুসাজ দুমুঠি খুউৱাৰ ক্ষমতা নিদিলে। মোৰ ল'ৰা-ছোৱালীহঁত খাবলৈ নাপাই হাড়ে-ছালে লগা হৈ পৰিছে, আৰু ইয়াৰো উপৰি আন সমস্যায়ো মূৰ দাঙিছে।”

“সেই সমস্যা কি?” ৰজাই প্ৰশ্ন কৰিলে।

ৰজাৰ প্ৰশ্নৰ উত্তৰত পৰিমল শাস্ত্ৰীয়ে ক'লে, “মোৰ ছবছৰীয়া ল'ৰা এটি টোপনিৰপৰা সাৰ পোৱাৰ লগে লগে জোৰেৰে ৰাউচি জোৰে, আৰু গোটেইটো দিন ধৰিয়েই এই ৰাউচিৰ হৌৰা-চৌৰা চলি থাকে। এয়া একদম অসহ্য, মহাৰাজ! মই এই বিকট সমস্যাৰ সমাধান বিচাৰি আপোনাৰ কাষ চাপিছোঁ, মহাৰাজ।”

ৰজনী শৰ্মা

ব্ৰাহ্মণৰ কথা শুনি ৰজা শ্ৰীদত্তই ভাবিলে ঃ এনে ধৰণৰ সদায় ৰাউচি জুৰি থকা পেনপেনীয়া-পেঘেনীয়াই থকা ল'ৰা এটাক যদি অনিৰুদ্ধক গটাই দিব পৰা যায়, তেনেহ'লে অনিৰুদ্ধক হয়তো কিছু দিনৰ বাবে ৰাজসভাৰ বাজ কৰিব পাৰি। এই কথা ভাবি ৰজাই ব্ৰাহ্মণক ক'লে, "তুমি তোমাৰ ল'ৰাটোক মোৰ ওচৰলৈ লৈ আহাঁ আৰু তাক থৈ যোৱা। সে যিমান দিন মোৰ ওচৰত থাকিব, তোমাক প্ৰতিদিন দহোটাকৈ মুদ্ৰা দিম।"

ৰজাৰ প্ৰস্তাৱত ভালৰো ভাল পাই, ওপৰ-চাপৰ নাচাই, পাছদিনাই ব্ৰাহ্মণে তেওঁৰ সেই কান্দুৰা ল'ৰাটোক ৰজাৰ হাতত গটাই দিলেহি।

আৰু পাছদিনাই, এই কান্দুৰাটোক ৰজাই অনিৰুদ্ধৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "হে মহাপণ্ডিত! আপুনি এই বালকটিক ভালকৈ শিকাই-বুজাই দিয়ক, আপোনাৰ নিচিনা পণ্ডিত কৰি তোলক, এয়েহে মোৰ একান্ত প্ৰাৰ্থনা।"

"অহো সৌভাগ্যম্!" অনিৰুদ্ধ পণ্ডিতে কৈ উঠিল, "মহাৰাজ, মোতকৈয়ো ডাঙৰ পণ্ডিত হিচাপে গঢ়ি তুলিহে ল'ৰাটিক পুনৰ আপোনাৰ ওচৰলৈ ঘূৰাই পঠাম।" এই বুলি কৈ, অনিৰুদ্ধ পণ্ডিতে ল'ৰাটোক তেওঁৰ ঘৰলৈ লৈ গ'ল।

আৰু পাছদিনা ৰাতি ভালকৈ নৌ পুৱাওঁতেই ল'ৰাটোৱে ৰাউচি জুৰিলে। বহু ধৰণে চেষ্টা কৰিও তাৰ ৰাউচি কোনেও ৰখাব নোৱাৰিলে। অনিৰুদ্ধ পণ্ডিতৰ কেতিয়াবা খং উঠিল, কেতিয়াবা এই আধাৰ মৰকীয়াটোক পুনৰ ৰজাক ওভোতাই দিব বুলি সইত খোৱা হ'ল। কিন্তু সিদিনা তেওঁ একোপধ্যে ৰাজ-সভালৈ যাব নোৱৰা হ'ল।

এইদৰে একেৰাহে সাতদিন ধৰি অনিৰুদ্ধ পণ্ডিতৰ ৰাজসভালৈ যোৱা নহ'ল। আৰু এদিন কান্দুৰা ল'ৰাটোৰ

উৎপাত সহিব নোৱাৰি বলিয়াৰ দৰে অনিৰুদ্ধ পণ্ডিত ঘৰৰপৰাই ওলাই পলাই নোহোৱা হৈ গ'ল। এই বাতৰি পাই ৰজা শ্ৰীদত্তই পুনৰ জনম পোৱা যেন পালে।

এই ঘটনাৰ কিছুদিনৰ পাছত শ্ৰীদত্ত এক ডাঙৰ সমস্যাত সাঙোৰ খাই পৰিল।

*

শিৱগিৰিতকৈয়ো ডাঙৰ ৰাজ্য সুন্দৰগিৰি। সুন্দৰগিৰিত প্ৰতি বছৰ ক্ষত্ৰিয়সকলৰ বাবে অস্ত্ৰ-চালনাৰ প্ৰতিযোগিতা পতা হৈছিল। এইবাৰ ৰজা শ্ৰীদত্তৰ ল'ৰা দুটিক এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হ'ল। ল'ৰা দুজন গ'ল তালৈ, প্ৰতিযোগিতাত ভাগো ল'লে ; কিন্তু বেয়াকৈ পৰাজিত হ'ল। আনহাতে — সুন্দৰগিৰিৰ ৰাজকোঁৱৰে প্ৰতিটো প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা হ'ল!

প্ৰতিযোগিতাৰ অন্তত শ্ৰীদত্ত ৰজাৰ ল'ৰা দুটাই এই প্ৰতিযোগিতাৰ নিৰপেক্ষ বিচাৰ হোৱা নাই বুলি অভিযোগ জনালে। এই অভিযোগৰ কথা দূতৰ মুখে শুনি সুন্দৰগিৰিৰ ৰজাই শিৱগিৰি আক্ৰমণ কৰিব বুলি হুমিয়ালে।

ৰজা শ্ৰীদত্ত বৰ চিন্তাত পৰিল। সুন্দৰগিৰিয়ে আক্ৰমণ কৰিলে শিৱগিৰিৰ পতন যে অনিবাৰ্য্য, জানে তেওঁ। এই সমস্যাৰপৰা উদ্ধাৰ পাবলৈ ৰজা শ্ৰীদত্তই তেওঁৰ ৰাজ্যৰ বিশিষ্ট লোকসকলক আহ্বান কৰি অনালে। এই খবৰ পাই, ৰজাৰপৰা আহ্বান নাপায়েই দৰিদ্ৰ ব্ৰাহ্মণ পৰিমল শাস্ত্ৰীও সেই সভালৈ আহিল।

ৰজা শ্ৰীদত্তই পৰিমল শাস্ত্ৰীক ক'লে, "তোমাৰ সহায়ত মই দুই যুগজোৰা এটা নিকৰুণ-নিদাৰুণ বিকট সমস্যাৰপৰা মুক্তি লভিছোঁ। এতিয়া—এই যুদ্ধৰ সমস্যাৰ বিষয়ে তোমাৰ পৰামৰ্শ কি কোৱাঁ।"

"মহাৰাজ, মোৰ মতে—এয়া কোনো সমস্যায়েই নহয়। এনে ধৰণৰ সমস্যাক

প্ৰায় প্ৰতিদিনেই সমাধান কৰিবলগা হওঁ মই। মোৰ ল'ৰাহঁতে প্ৰায় প্ৰতিদিনেই আন ল'ৰা-ছোৱালীক মাৰ-পিট কৰে। আৰু পাছ মুহূৰ্ততে অভিযোগ। মই লগে লগে অভিযোগকাৰীৰপৰা ক্ষমা প্ৰাৰ্থনা কৰোঁ। তেতিয়া সিহঁতৰ খং-ৰাগ কুমলি পনীয়া হৈ পৰে। আপুনিও দেখোন এনেদৰে আপোনাৰ এই সমস্যাৰ সমাধান কৰিব পাৰে।" দৰিদ্ৰ ব্ৰাহ্মণ পৰিমল শাস্ত্ৰীয়ে ক'লে।

ৰজা শ্ৰীদত্তই ব্ৰাহ্মণৰ কথাৰ সাৰাৰ্থক সাৰোগত কৰি পাছদিনা সুন্দৰগিৰিৰ ৰজাক ক'লেগৈ, "মোৰ মূৰ্খ ল'ৰা দুটাই কি কৈছে-নকৈছে—তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী। আৰু তথাপি যদি মোৰ ৰাজ্য আপুনি যদি আক্ৰমণ কৰিবই, তাতকৈ এনেয়ে লওক, মই দিম।"

সুন্দৰগিৰিৰ ৰজাই এই কথাৰ পাছত শ্ৰীদত্তক বৰ সমাদৰ কৰিলে আৰু আক্ৰমণৰ চিন্তাও পৰিহাৰ কৰিলে।

কিছুকালৰ অন্তত ৰজা শ্ৰীদত্তই ল'ৰাহঁতক ৰাজ্যশাসনৰ দায়িত্ব প্ৰদান কৰি জিৰণি লোৱাৰ কথা ভাবিলে। কিন্তু তেওঁ চিন্তা কৰি চালে যে তেওঁৰ ল'ৰা দুটা হ'ল যঁজা। গতিকে—কাকনো পাতিব ৰজা? ভাবি ভাবি ৰজা শ্ৰীদত্তই ব্ৰাহ্মণ পৰিমল শাস্ত্ৰীকে মতাই অনাই এই বিষয়ে সোধাত পৰিমল শাস্ত্ৰীয়ে ক'লে, "মহাৰাজ, মোৰ প্ৰতিটো ল'ৰাকেই এটা এটা মিঠাই লাগে। কিন্তু মই এটা মিঠাইকে ল'ৰাহঁতৰ মাজত সমানকৈ ভগাই দিওঁ, আৰু তেতিয়া ল'ৰাহঁতেও আনন্দ মনেৰে সেই মিঠাই খায়।"

পৰিমল শাস্ত্ৰীৰ এই কথাৰ মৰ্মাৰ্থ অনুধাৰন কৰি ৰজা শ্ৰীদত্তই তেওঁৰ ল'ৰা দুজনৰ মাজত ৰাজ্যখন ভগাই দিলে আৰু দৰিদ্ৰ-বুদ্ধিমন্ত ব্ৰাহ্মণ পৰিমল শাস্ত্ৰীলৈ আগবঢ়ালে অপৰিমিত উপহাৰ।



১৮

পালকপিতৃ
উগ্ৰাক্ষলৈ ৰুদ্ৰৰ হতুৱাই
সহায় প্ৰাৰ্থনা কৰাত উগ্ৰাক্ষই
তাৰ তোলনীয়া **পুত্ৰ** উগ্ৰদন্তক সৰ্বতো-
প্ৰকাৰে সহায় কৰাৰ বাবে তাৰ ৰাক্ষস-বাহিনীক
জ্বালাদ্বীপলৈ বুলি ৰাওনা হ'বলৈ আদেশ দিলে। বিৰাট
বিৰাট গছেৰে ভুৰহেন নাও সাজি লৈ ৰাক্ষসবাহিনী তৎক্ষণাৎ জ্বালাদ্বীপলৈ
যাবলৈ সাগৰৰ বুকুৰেদি গৈ থাকিল। আৰু অলপ পাছত জ্বালাদ্বীপৰ সেই ভয়ংকৰ
বিকট চৰাইবোৰে সিঁহতৰ বিৰাট ডেউকা মেলি ৰাক্ষসবাহিনীৰ ওপৰত পাক খাবলৈ ধৰিলে।
তাৰ পাছত......

ভয়ংকৰ সেই চৰাইবিলাকক পাক খাই খাই সিঁহতৰ মূৰৰ ওপৰত উৰি থকা দেখা পায়েই ৰাক্ষসবহঁত উচপ খাই উঠিল। উগ্ৰাক্ষই গহীন-গম্ভীৰ গমগমীয়া কণ্ঠেৰে আদেশ দিলে, "তোমালোকৰ ওচৰত থকা জোঁৰবিলাক জ্বলোৱা!" লগে লগে অসংখ্য জোঁৰ দপ্‌কৰে জ্বলি উঠিল। আৰু তেতিয়া—সেই বিকট চৰাইবিলাকৰ পিঠিৰ ওপৰত বহি থকা জ্বালাদ্বীপিহঁয়াতে ৰাক্ষসহঁতলৈ বিভিন্ন অস্ত্ৰ

'চান্দমামা'

আৰু শিলগুটি দলিয়াবলৈ ধৰিলে। ভালেমান পৰলৈ এইদৰে অস্ত্ৰ আৰু শিলগুটি দলিয়াই হঠাৎ সিহঁত তীব্ৰ গতিৰে জ্বালাদ্বীপৰ পিনে গুচি গ'ল।

যিকোনো কাৰণতে নহওক, এদিন-এনিশা পাৰ হোৱা সত্বেও জ্বালাদ্বীপিয়া তথা বাঘছালপিন্ধাহঁত ৰাক্ষসহঁতৰ ওচৰে-পাঁজৰে আৰু নাহিল। আৰু তৃতীয়দিনৰ ৰাতিপুৱা, বেলি ওলোৱাৰ লগে লগে, ৰাক্ষসহঁত জ্বালাদ্বীপৰ ওচৰ পালেগৈ।

"আমাৰ নাওবিলাক পচিমৰ ফালে অলপ দূৰলৈ আগবঢ়াই লৈ যোৱা। তাত দুটা জ্বলি থকা অগ্নি-পৰ্বতৰ মাজত এখন বিৰাট উপত্যকা আছে। তাত আমি নাৰৰপৰা নামিম। তাৰেপৰাই জ্বালাদ্বীপলৈ বুলি গৈ থাকিম।" ৰাক্ষসহঁতৰ পথ-প্ৰদৰ্শক ভালুকদলৰ অনুচৰ এটাই ক'লে।

আগ্নেয় পৰ্বতৰ সীমাজত থকা সেই উপত্যকালৈ যোৱাৰ পাছত, উপত্যকা আৰু পৰ্বতৰ মাজত থকা উপত্যকাৰ দুৱাৰমুখত বাঘছালপিন্ধাহঁতৰ বিৰুদ্ধে ভালুকদলৰ অনুচৰহঁতৰ যুঁজ-বাগৰ চলি থকা দেখা গ'ল।

নাৰৰপৰা ৰাক্ষসহঁত নামি অহাৰ লগে লগেই বাঘছালপিন্ধাহঁত পিছ-হুঁহকা দিবলৈ ধৰিলে আৰু ভালুকদলে বাঘ-ছালপিন্ধাহঁতক কচুকটা দি ধাকিল।

তাৰ পাছত—ভালুকদল আৰু ৰাক্ষস-দল যেতিয়া মুখামুখি হ'ল, তেতিয়া, ভালুকদলৰ নেতাক দেখা পাই, অতিপাত অবাক মানি, উগ্ৰাক্ষই কৈ উঠিল, "উগ্ৰদত্ত! এয়ানো তুমি কেনেকুৱা সাজ-পাৰ পিন্ধিছা! মোৰ ঠাইত আন কোনোবা হোৱাহেঁতেন তোমাক্ দেখোন চিনিবই নোৱাৰিলেহেঁতেন!" এই বুলি কৈয়েই উগ্ৰাক্ষই তাৰ পুত্ৰ উগ্ৰদত্তক একে আঁজোৰতে কান্ধৰ ওপৰত বহুৱাই ল'লে।

ভালুকদলৰ উদ্দেশ্য হ'ল সিহঁতৰ শত্ৰু একপাদক খতম কৰা। এই কামত হাত

উজান দিবলৈ যে ৰাক্ষসহঁত আগবাঢ়ি আহিছে, সেই কথা বুজি পাই, ভালুকদল উৎসাহিত হৈ উঠিল। উগ্রদত্তই তাৰ পালকপিতা উগ্ৰাক্ষক ক'লে, "দেউতা, তোমাক আমাৰ নেতা কন্ধৰ সৈতে চিনাকি কৰাই দিওঁ। এৱেঁই হ'ল ভালুকদলৰ অবিসম্বাদী নেতা। এওঁৰ চেষ্টাত তথা সহায়তহে মই বাঘছালপিন্ধা-হঁতৰ কবলৰপৰা ৰক্ষা পৰিব পাৰিলোঁ।"

কন্ধই উগ্ৰাক্ষক নমস্কাৰ কৰি ক'লে, "উগ্ৰাক্ষ, আমি তোমাৰপৰা সহায় পোৱাৰ ফলত—আমাৰ অৰণ্যজীৱনৰ এইবাৰ অন্ত পৰিব যেন পাইছোঁ। একপাদৰ দৰে নিষ্ঠুৰ আন কোনো মানুহ আগতেও নাছিল, এতিয়াও নাই। সকলোটিক দাস হিচাপে ৰাখি সি প্ৰভু হৈ শোষণৰ চকৰি চলাবলৈ বিচাৰে। একপাদৰ সহচৰ কৰবীৰ আৰু নাগবৰ্মাকো বিনাশ কৰিব পাৰিলে জ্বালাদ্বীপৰেই নহয়, তোমা-লোকৰ ৰাজ্যৰো উপকাৰ হ'ব।"

উৎসাহৰে সৈতে উগ্ৰাক্ষই ক'লে, "তেনেহ'লে আৰু বিলম্ কিহলৈ? ব'লা তাৰ পাসাদলৈ, জুই লগাওঁগৈ। তাক চাইওফালৰপৰা আগুৰি ধৰোঁগৈ ব'লা।" এই বুলি কৈয়েই উগ্ৰাক্ষই উগ্ৰদত্তক কান্ধৰ ওপৰত দাঙি ল'লে।

"কামটো—" কন্ধই ক'লে, "ইমান সহজতে কৰিব পৰা বিধৰ নহয়। তাৰ কবলত এতিয়া ৰাজকুঁৱৰী চন্দ্ৰা আছে। চন্দ্ৰাৰ কোনো অনিষ্ট নোহোৱালৈ লক্ষ্য ৰাখিব লাগিব। কথা মাথোন সিমানেই নহয়। তোমালোকৰ ৰাজ্যৰপৰা পলাই অহা মদ্ৰ নামৰ এজন গুপ্তশত্ৰুও—"

কন্ধৰ কথা নৌশেষ হওঁতেই উগ্ৰাক্ষই কৈ উঠিল, "কি! মদ্ৰ—! ৰুদ্ৰ ক'ত?"

ৰুদ্ৰ দৌৰি আহিল। উগ্ৰাক্ষই ৰুদ্ৰক ক'লে, "কি হ'ল ৰুদ্ৰ? মদ্ৰ কি দেশদ্ৰোহী হ'লনে কি? সি দেখোন তোমাৰ বন্ধু!"

"কেৱল মোৰেই বন্ধু নহয়, সি—

উগ্ৰদত্তৰো প্ৰাণৰ বন্ধু। সম্ভৱতঃ চন্দ্ৰাক বিয়া কৰাব বুলিয়েই সি আমাক এৰি বাঘছালপিন্ধাহঁত লগ লাগিছেগৈ।” ৰুদ্ৰই উগ্ৰাক্ষক ক'লে।

“চন্দ্ৰাৰ সৈতে মোৰ ল'ৰাৰ বিয়া পতা হ'ব। এই কথাত যদি মত্ৰই কিবা মাত মাতিছে—তেনেহ'লে তাৰ হৈছে আৰু, তাক কবৰ দিহে এৰিম মই।” উগ্ৰাক্ষই চাফ চাফকৈ ক'লে।

“উগ্ৰাক্ষ, শান্ত হোৱাঁ। যিটো কথা এতিয়ালৈকো কোৱা হোৱা নাই, এতিয়া কওঁ শুনা।” কন্ধই ক'লে, “একপাদক মাৰি পেলোৱাটো বৰ সহজ কাম নহয়। তাৰ মাজত এনেকুৱা এক শক্তি আছে, যি শক্তি আন কাৰো মাজত নাই। সি যাৰ তেজ দেখা পাব, বা তাৰ তেজ যিজনে দেখা পাব—সেইজন মানুহৰ তৎক্ষণাৎ মৃত্যু হ'ব।”

প্ৰথমবাৰ শুনি উগ্ৰাক্ষৰ মূৰত একো প্ৰায় নোসোমোৱাই হ'ল। দ্বিতীয়বাৰ খোলোচাকৈ শুনাৰ অন্তত সি কন্ধক ক'লে, “এনে ধৰণৰ শক্তিৰ কথা মই বা মোৰ বোপা-ককায়ো শুনা নাই। বধ কৰা হ'ব অথচ এটুপি তেজো নোলাব—এয়ানো কেনেকৈ' হ'ব? এক-পাদৰ দেখিছোঁ একাদশত বিহস্পতি!”

“গতিকে আমাৰ কেইজনমানে মৃত্যুক আঁকোৱালি ল'বলৈ সাজু হ'ব লাগিব, প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। সেই বুলি—একপাদক কেইজনমানে মিলি আগুৰি ধৰিলেও নহ'ব, কিয়নো, তেতিয়া সি নিজৰ দেহৰপৰা তৰোৱালেৰে খুচি তেজ উলিয়াব আৰু সেই তেজ চকুত পৰাৰ লগে লগেই আটাইবিলাকৰে মৃত্যু হ'ব। কন্ধই উগ্ৰাক্ষক কথাবোৰ বুজাই ক'লে।

“এই এঠাইত কাটিলে সাত ঠাইত গজা একপাদ বোলাটো বৰ শক্তিশালী নে কি?” উগ্ৰাক্ষই প্ৰশ্ন কৰিলে।

“একেবাৰেই নহয়, তাৰ গাত শক্তি

নাই বুলিলেও হয়। আৰু, তাৰ এখন ভৰি নথকাবাবেহে তাৰ নাম হ'ল একপাদ। তাৰ এই তেজৰ তেজ নথকা হ'লে তাক এটা দহবছৰীয়া চেমনীয়ায়ো পোনাব পাৰিলেহেঁতেন।" কন্ধই ক'লে।

"ঠিক আছে, মোৰ কেইজনমান অনুচৰ এই কামত জীৱন বিসৰ্জিলৈকো সাজু হৈ থাকিব। আমি তাৰ পাসাদত সোমামগৈ। সোমাই — সি ক'ত কোনখিনিত আছে তাৰ গম-গতিৰ বুজ-বাজ লৈ তাক বেঢ়ি ধৰি চকু মুদি একে-ঘাপে ঘচ্‌চং কৰি পেলাম। হ'বনে?" উগ্ৰাক্ষই একে উশাহে ক'লে।

"কিন্তু—" কন্ধই গহীন কণ্ঠেৰে ক'লে, "তাক হত্যা কৰাৰ পাছতো তাৰ তেজ দেখিলেই আমি মৰিম।"

"এয়া দেখিছোঁ এক বিবাট সমইস্যা। যি কি নহওক, কেৱল বহি বহি চিন্তাৰ মাৰলি গণি কোনো কাম নহ'ব। তাতকৈ বৰঞ্চ পাসাদৰ পিনে যোৱা যাওক।" উগ্ৰাক্ষই কন্ধক ক'লে।

এটা ভালুক-অনুচৰে উগ্ৰাক্ষহঁতক বাট দেখুৱাই আগবঢ়াই লৈ যাবলৈ ধৰিলে সেই উপত্যকাৰ মাজেদি। তাৰ পাছত— ওখোৰা-মোখোৰা লুণ্ডলুণ্ডীয়া বাট পাৰ হৈ পাহাৰ বগাবলৈ ধৰিলে। ওচৰে-পাঁজৰে কোনো জ্বালাদ্বীপিয়াৰ বা সেই বিকট চৰাইবোৰৰো চিন-মোকাম পোৱা নগ'ল। গোটেই বাটছোৱা আছিল নিমাওমাও।

কিন্তু এনেহেন নিস্তব্ধতা স্বাভাৱিক যেন নালাগিল কন্ধৰ মনত। সেয়েহে কন্ধই কৈ উঠিল, "একপাদে নিশ্চয় কিবা পাং পতা যেন পাইছোঁ। সি হয়তো নিজেই নিজৰ দেহাৰ অ'তত'ত তৰোৱালেৰে খুচি তেজ উলিয়াই লৈ প্ৰাসাদৰ প্ৰাচীৰৰ ওপৰত আমাৰ চকুত পৰাকৈ থিয় হৈ থাকিব, আৰু তাৰ পিনে চোৱাৰ লগে লগেই আমাৰ মৃত্যু হ'ব।"

এই কথা শুনি উগ্ৰদত্তই ক'লে, "কিন্তু



তথাপি আমি হাত সাৰটি বহি নাথাকিম। আমাৰ দলটোৰ আগভাগত যিজন থাকিব—একমাত্ৰ তেওঁৰেই আগত কি আছে কি নাই চাব, আৰু বাদবাকীহঁতে তলমূৰ হৈ গৈ থাকিব।”

উগ্ৰদত্তৰ নিৰ্দেশ অনুসাৰে সকলোটি তলমূৰ হৈ গৈ গৈ প্ৰাসাদৰ ওচৰ পালেগৈ। তেতিয়া একপাদে চিঞৰি চিঞৰি কৈ থাকিল, “চোৰাঁহঁত! সুদৰ্শনৰ প্ৰাণৰ পুতলি চন্দ্ৰাক মই ইমান ওখ ঠাইৰপৰা তললৈ দলিয়াই পেলাইছোঁ। হাঃহাঃ হাঃ!”

কিন্তু একপাদৰ এনে সৰ্বনশীয়া কথা শুনিও কোনেও মূৰ তুলি নোচোৰা হ'ল। এনেতে প্ৰাসাদৰ প্ৰাচীৰৰপৰা কোনোবাই চিৎকাৰ কৰি কৈ উঠিল, “বিশ্বাসঘাতকতা! বিশ্বাসঘাতকতা!” পাছ মুহূৰ্ত্ততে আকৌ শুনা গ'লঃ “উগ্ৰদত্ত! চন্দ্ৰাই তললৈ যি ৰছীডাল দলিয়াই দিছে সেই ৰছী-ডালত ধৰি একে একে ওপৰলৈ উঠি আহাঁ। ইতিমধ্যে একপাদক আমি চামৰাৰ থৈলাত সুমুৱাই বান্ধি পেলাইছোঁ। কোনো ভয় নাই। পিছে—কৰবীৰ আৰু নাগবৰ্মা ওচৰে-কাষৰে ক'ৰবাত লুকাই আছে যেন পাইছোঁ। সাৱধান! অতি হুঁচিয়াৰ!” এইবোৰ কথা মন্ত্ৰই কৈ আছিল।

আৰু ঠিক তেতিয়াই তৰোৱালযুদ্ধৰ জনৎকাৰ শুনা গ'ল। চন্দ্ৰাই তৰোৱাল হাতত লৈ চিঞৰি ক'লে, “মন্ত্ৰই প্ৰবল পৰাক্ৰমেৰে কৰবীৰৰ বিৰুদ্ধে যুঁজি আছে। নাগবৰ্মাও ইয়াতে আছে।” এই বুলি কৈয়েই চন্দ্ৰাই প্ৰাসাদৰ ভিতৰৰ ফালে জঁপিয়াই পৰিল।

তাৰ পাছত দলে দলে ৰাক্ষসহঁতো প্ৰাসাদৰ ভিতৰলৈ সোমাই গ'ল। চন্দ্ৰাই তেতিয়া নাগবৰ্মাৰ বিৰুদ্ধে তৰোৱালেৰে যুদ্ধ কৰি আছিল। উগ্ৰাক্ষই তাৰ বিৰাট টাঙোন জোকাৰি নাগবৰ্মাৰ পিনে বিজুলী গতিৰে আগুৱাই গ'ল; কিন্তু তিমানতে চন্দ্ৰাৰ তৰৱাৰিয়ে নাগবৰ্মাৰ বুকু বিদ্ধ

CHITRA

কৰিলেই। আৰু ৰাক্ষসহঁতক দেখা পাই কৰবীৰে মন্দ্ৰৰ বিৰুদ্ধে যুদ্ধ এৰি পলাই যাবলৈ চোঁচা লোৱাৰ লগে লগে মন্দ্ৰয়ো কৰবীৰক গুৰিয়াই তললৈ বগৰাই পেলাই তৰোৱালখন তাৰ ডিঙিত হেঁচা মাৰি ধৰি থাকিল।

চামৰাৰ থৈলাৰ ভিতৰত বন্দী হৈ থকা একপাদক কন্ধই ক'লে, "একপাদ, থৈলাৰ ভিতৰত বৰ গৰম পাইছানে কি? পিছে—বৰ বেছি সময়লৈ কষ্ট নোপোৱা, কিয়নো, তোমাক অলপ পাছত একুৰা জুইৰে পুৰি পেলোৱা হ'ব।" এই কথা শুনি থৈলাৰ ভিতৰতে একপাদ গোঁগোঁৱাই উঠিল।

মন্দ্ৰই ক'লে, "মই দেশদ্ৰোহীৰ ভাও লোৱাত এই সাত পানী পিয়া একপাদে মোক তাৰ বুকুত আঁকোৱালি ল'লে আৰু আৰু মোৰ দেশবাসীয়ে মোক দেশদ্ৰোহী বুলি ভাবিলে। চন্দ্ৰাৰ জীৱন যে বিপদাপন্ন হৈ পৰিছে—সেই কথা বুজি পায়েই মই একপাদৰ ঘৰশত্ৰু বিভীষণৰ ভাও লৈছিলোঁ আৰু তোমালোক এই ঠাইলৈ অহাৰ বাতৰি পাই, এছেগত একপাদক গবামাৰি ধৰি এই থৈলাত ভৰাই পেলাইছোঁ।" মন্দ্ৰৰ কথা শুনি সকলোটিয়েই সমস্বৰে মন্দ্ৰৰ শলাগ ল'লে।

আৰু এইদৰে ধূৰ্ত্তৰো ধূৰ্ত একপাদক থৈলাৰ ভিতৰত বন্ধ নকৰাহেঁতেন তাক হত্যা কৰাটো কিজানি ইহঁতৰ পক্ষে অসম্ভৱেই হ'লহেঁতেন।

তাৰ পাছত এদিন উগ্ৰাক্ষ, উগ্ৰদত্ত আৰু চন্দ্ৰা, আৰু লগতে ৰুদ্ৰ-মন্দ্ৰও নিজ নিজ ৰাজ্যলৈ উভতি গ'ল। কিছুদিনৰ অন্তত মহা ধুমধামেৰে সৈতে উগ্ৰদত্তৰ সৈতে চন্দ্ৰাৰ বিয়া পতা হ'ল আৰু পাছত উগ্ৰদত্ত হ'ল উগ্ৰাক্ষৰ সেই অৰণ্যৰাজ্যৰ একচ্ছত্ৰী ৰজা। এগৰাকী প্ৰজাপালক ৰজা হিচাপে দেশত, আৰু বিদেশতো উগ্ৰদত্তৰ খ্যাতি বিয়পি পৰিছিল। [অন্ত



অন্তৰৰ আহ্বান

প্রতিজ্ঞাবদ্ধ ৰজা বিক্রমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ এই অদ্ভুত চেষ্টা-প্রচেষ্টা দেখি, তুমি একে বেছাই মূধত উঠাৰ মন কৰা যেন পাইছোঁ। যি কি নহওক, এই বিষয়ে তোমাক মই কেইজনমান ৰাজকোঁৱৰৰ কাহিনী ক'ম। এইবোৰ চপল-চঞ্চল ৰাজকোঁৱৰৰ কাহিনীয়ে তোমাক শিক্ষা দিব নোৱাৰিলেও তোমাৰ পথশ্রম কথঞ্চিত লাঘৱ কৰিব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

অগ্নিদত্ত আছিল নীলসাগৰদেশৰ ৰজা। তেওঁৰ আছিল দুই পুত্র। এজনৰ

'বেতাল-কথা'

নাম শিৱদত্ত, আনজনৰ নাম শান্তিদত্ত। দুয়ো ভাই-ককাই সকলো ধৰণৰ বিদ্যাত পাৰদৰ্শী হৈ উঠিল। শিৱদত্ত আছিল বিনয়ী, দয়ালু আৰু সহৃদয়। সেয়েহে শিৱদত্তক সকলোটিয়েই ভাল পাইছিল। পিতৃ ৰজা অগ্নিদত্ত যেতিয়া বৃদ্ধ হ'ল, তেতিয়া পুত্ৰ শিৱদত্তই বিভিন্ন কাৰ্য্যত তেওঁক সহায় কৰিছিল। আন সকলো কামত সহায় কৰাৰ অন্তত যিখিনি সময় পাইছিল, সেইখিনি সময় অবাবতে নষ্ট নকৰি শিৱদত্তই শ্ৰুতি, পুৰাণ-পাঠ আৰু ভাগবদ্গীতাৰপৰা শিক্ষা গ্ৰহণ কৰিছিল।

এইদৰে কিছুদিন অতিবাহিত 'হোৱাৰ অন্তত বৃদ্ধ ৰজা অগ্নিদত্তই ৰাজকোঁৱৰ শিৱদত্তক যুৱৰাজ হিচাপে ঘোষণা কৰি দেশৰ বিভিন্ন কাৰ্য্যৰ তথা শাসন কাৰ্য্যৰো আংশিক দায়িত্ব অৰ্পিলে।

এদিন যুৱৰাজ শিৱদত্তক মহামন্ত্ৰীয়ে ৰজাৰ হৈ ক'লে যে প্ৰতিবেশী দেশৰ ৰজাই যিকোনো সময়ত নীলসাগৰদেশ আক্ৰমণ কৰিব পাৰে। এতেকে—এই আক্ৰমণক ভেটিবলৈ দেশৰ সৈন্যইঁতক ভালকৈ যুদ্ধ-কৌশল শিকাব লাগিব যুদ্ধ কৰিবলৈ উদ্গাব লাগিব।

মহামন্ত্ৰীৰ কথাৰ উত্তৰত শিৱদত্তই ক'লে যে যুদ্ধ কৰাৰ সামান্যতম ইচ্ছাও তেওঁৰ নাই। এই কথা শুনি বিস্মিত মহামন্ত্ৰীয়ে ক'লে, "এনে ধৰণৰ কথা শুনিলে আনকি প্ৰজাবৰ্গয়ো আচৰিত নহৈ নোৱাৰিব। দেশে আপোনাৰপৰা যোগ্য নেতৃত্বহে আশা কৰিছে।"

"দেশ-শাসনৰ ইচ্ছা নথকাৰ কথা এই প্ৰতিবেশী ৰজাই যদি জানিব পাৰে, তেনেহ'লে দুটা ঘটনা ঘটাৰ আশংকা আছে। প্ৰথমটো ঘটনা হ'ল : প্ৰতিবেশী ৰজাই আমাৰ শক্তিহীন বুলি ভাবিব। দ্বিতীয়টো হ'ল : প্ৰতিবেশী ৰজাৰ চক্ৰান্তত আমাৰ দেশতে কিছুমান বিদ্ৰোহীৰ সৃষ্টি হ'ব।" মহামন্ত্ৰীয়ে এইবোৰ কথা অনভিজ্ঞ

শিৰদত্তক বুজাই ক'লে।

"দেশৰ অৱস্থা কি হ'ব-নহ'ব—সেই কথা মোৰ ভবাৰ কথা নহয়। মোৰ প্ৰস্তাৱ হ'ল—মোৰ কনিষ্ঠ ভ্ৰাতা শক্তিদত্ত হ'ল এনেবোৰ কামৰ পক্ষে উপযুক্ত। তাকেই সিংহাসনত অধিষ্ঠিত কৰা হওক।" শিৰদত্তই ক'লে।

শিৰদত্তৰ বক্তব্য মন্ত্ৰীয়ে ৰজাক জ্ঞাপন কৰিলে। ৰজা অগ্নিদত্তই শিৰদত্তক মতাই অনাই ক'লে, "শিৰদত্ত, তুমি যদি সঁচাকৈয়েই দেশৰ দায়িত্ব নোলোৱা, তেনেহ'লে নিয়মৰ ব্যতিক্ৰম ঘটিব, জ্যেষ্ঠই প্ৰাপ্যৰপৰা বঞ্চিত হ'ব লাগিব। তোমাক সিংহাসনত অধিষ্ঠিত কৰাৰ আয়োজন সুসম্পূৰ্ণ হৈছে। এনে সময়ত এনেবোৰ মইমতালি কৰিলে দেশৰ অৱস্থা বেয়ালৈ ঢাল ল'ব, আনকি প্ৰজাবৰ্গৰ মাজত বিদ্ৰোহেও দেখা দিব পাৰে।"

ৰজা অগ্নিদত্তৰ স্পষ্ট ভাষণৰ উত্তৰত শিৰদত্তই একেবাৰে একোৰেই নক'লে। সকলোটিয়েই, ৰজায়ো, এই নীৰৱতাক সন্মতিৰ নামান্তৰ বুলিয়েই ধৰি ল'লে।

কিন্তু পাছদিনা ৰাতি পুৱালত দেখা গ'ল—শিৰদত্ত প্ৰাসাদত নাই! অতি উদ্বিগ্ন হৈ ৰজাই শিৰদত্তক বিচাৰি চাৰিও-ফালে মানুহ পঠালে। কিন্তু বহু বিচাৰিও শিৰদত্তক পোৱা নগ'ল। বৃদ্ধ ৰজা অগ্নিদত্তই এনে ঘটনা ঘটিব পাৰে বুলি



কল্পনাও কৰা নাছিল। তেওঁ মুহ্যমান হৈ শয্যাশায়ী হৈ পৰিল।

কিছুদিনৰ অন্তত মগনিয়াৰ এজনে ৰজাক এখন পত্ৰ আনি দিলে। পত্ৰখন আছিল শিৰদত্তই লিখা। সেই পত্ৰত শিৰদত্তই লিখিছিল ঃ

দেশৰ শাসনৰ অৰ্থ মই নজনা নহয়, জানো। পিছে — অন্তৰৰ আহ্বানলৈ সঁহাৰি জনোৱাটো দেশ-শাসনতকৈয়ো ডাঙৰ কাম। অন্তৰৰ আহ্বান পায়েইহে মই সকলোকে পৰিহৰি সন্ন্যাসী হৈছোঁ।'

পুত্ৰৰপৰা প্ৰাপ্ত এই পত্ৰ পঢ়ি ৰজা আৰু ৰাণী অধিক মুহ্যমান হৈ পৰিল। তথাপি, পুত্ৰ জীয়াই আছে, এই উপলব্ধিয়ে তেওঁলোকক কথঞ্চিত শান্তি দিলে।

এইদৰে পাঁচ বছৰ উকলিল। এতিয়া বৃদ্ধ ৰজা অগ্নিদত্ত প্ৰায় অথৰ্ব। তেওঁ শয্যাশায়ী। ৰজাৰ এই অৱস্থাত তেওঁৰ কনিষ্ঠ পুত্ৰ শান্তিদত্ত আগুৱাই আহিল ৰাজকাৰ্য্যত ভাগ ল'বলৈ। তাৰ পাছত, কেইবছৰমানৰ পাছত এদিন ৰজা অগ্নিদত্ত সিফলীয়া হ'ল। আৰু লগে এই নীল-সাগৰদেশৰ সিংহাসনত অগ্নিদত্তৰ কনিষ্ঠ পুত্ৰ শান্তিদত্ত অধিষ্ঠিত হ'ল।

শান্তিদত্তৰমাজত বিভিন্ন গুণ থকা সত্বেও দেশৰ ৰজা হিচাপে আছিল অতি অক্ষম আৰু অযোগ্য। এবাৰ সমগ্ৰ নীলসাগৰ-দেশখনক খৰাং বতৰে কোবাই গ'ল। শান্তিদত্ত আছিল দূৰদৃষ্টি নথকা ৰজা। তেওঁ প্ৰতিবেশী দেশৰপৰা খাদ্যশস্য খুজি আনি নিজৰ দেশক আকালৰপৰা ৰক্ষা কৰিলে। কিন্তু এই ছেগতে সেই প্ৰতি-বেশী ৰজাই নীলসাগৰৰ দুৰ্বলতাৰ কথা ফটফটীয়াকৈ বুজি পাই নীলসাগৰ আক্ৰমণ কৰিবলৈ ছেগ চাই থাকিল। আৰু এনেতে শান্তিদত্ত হঠাৎ অসুস্থ হৈ পৰিল।

এনে পৰিস্থিতিত কি ব্যৱস্থা হাতত লোৱা উচিত, ৰাজমাওৰে সেই কথা ভবা-গুণা কৰিবলৈ ধৰিলে। ৰাজমাওৰ এই

উদ্বেগৰ কথা শুনি এগৰাকী মন্ত্ৰীয়ে ক'লে, "মা, এনে কঠিন পৰিস্থিতিত মাত্ৰ এজন মানুহে কিজানি এই দেশখন ৰক্ষা কৰিব পাৰিব, তেওঁ হ'ল জ্ঞানী অদ্ভুতেশ্বৰস্বামী।"

*

জ্ঞানী অদ্ভুতেশ্বৰস্বামীৰ নাম ৰাজমাওৱে আগতেই শুনিছিল। কেইবছৰমান আগতে কেইজনমান কাঠকটীয়াই চন্দনকাঠ কাটি আনিবলৈ গভীৰ অৰণ্যলৈ সোমাইছিলগৈ। সিহঁতে গভীৰ অৰণ্যত এটা উঁই হাঁফলু দেখা পালে। উঁই হাঁফলুটো আছিল এজোপা চন্দনগছৰ গাতে লগা। গতিকে—চন্দনজোপা নিখুঁতভাৱে কটাৰ বাবে কাঠকটীয়াহঁতে উঁই হাঁফলুটো গুচাবলৈ ধৰোঁতেই হঠাৎ সেই হাঁফলুটোৰ ভিতৰৰপৰা জ্ঞানী পুৰুষজনা ওলাই পৰিল।

তেতিয়াৰেপৰাই এই তপস্বীজনাৰ নাম হ'ল জ্ঞানী অদ্ভুতেশ্বৰস্বামী। কিছুদিনৰ পাছত অদ্ভুতেশ্বৰস্বামীৰ নাম দেশৰ চাৰিওচুকত, আনকি বিদেশতো বিয়পি পৰিল। বিভিন্ন ঠাইৰপৰা অহা অসংখ্য মানুহে অদ্ভুতেশ্বৰস্বামীৰপৰা বিভিন্ন সমস্যাৰ সমাধানৰ উপায় লৈ গ'ল। ক্ৰমে ক্ৰমে সেই ঠাইত এখন আশ্ৰম গঢ় লৈ উঠিল।

ৰাজমাওৱে যেতিয়া মন্ত্ৰীৰ প্ৰস্তাৱৰ বিষয়ে দ'কৈ ভাবি আছিল, তেতিয়াই চোৰাংচোৰাহঁতৰ হতুৱাই নীলসাগৰদেশ



আক্ৰান্ত হোৱাৰ বাতৰি পালে তেওঁ। আৰু অযথা পলম নকৰি, তেতিয়াই ৰাজমাও ৰাওণা হ'ল জ্ঞানী অদ্ভূতেশ্বৰ-স্বামীৰ আশ্ৰমলৈ বুলি।

ৰাজমাওৱে অদ্ভুতেশ্বৰস্বামীক ক'লে সকলো কথা আৰু অদ্ভুতেশ্বৰস্বামীয়েও ধৈৰ্য্যৰে সকলো কথা শুনিলে। ৰাজমাওৱে অদ্ভুতেশ্বৰক ক'লে, "এতিয়া—আপুনি বিনে আন কোনেও নীলসাগৰদেশ ৰক্ষা কৰিব নোৱাৰিব। আপুনি দয়া কৰি আমাক সহায় কৰক।"

অলপ পৰলৈ ভবা-গুণা কৰাৰ অন্তত অদ্ভূতেশ্বৰস্বামীয়ে চকু মুদিয়েই ৰাজমাওক ক'লে, "ৰাজমাতা, তুমি দুশ্চিন্তা নকৰিবা। ভয় নকৰিবা। তোমাৰ দেশৰ কোনো অনিষ্ট নহ'ব।"

তাৰ পাছত অদ্ভুতেশ্বৰস্বামী ৰাজধানীলৈ গ'ল আৰু গৈ ৰজা শান্তিদত্তক ক'লে, "ৰজা, তুমি সুস্থ ব্যক্তি। এতিয়াই দেহে-কেহে লাগি যোৱা, শত্ৰুৰ বিৰুদ্ধে শমনৰ দৰে জ'পিয়াই পৰাগৈ। তোমাৰ জয় সুনিশ্চয় সুনিশ্চিত।"

আৰু পাছমুহূৰ্ততে আলাসত উঠা ৰজা শান্তিদত্তই সৈন্যবাহিনীৰ সমুখলৈ গৈ সেনাপতিক ক'লে, "এতিয়া আৰু ৰৈ থকাৰ সময় নাই। শত্ৰুৱে দেশৰ সীমা পালেহি। এতিয়াও যদি আমি হাত সাৱটি বহি থাকোঁ, কোনেও দেশ-ৰক্ষা কৰিব নোৱাৰিব।"

তাৰ পাছত নীলসাগৰদেশৰ সৈন্যহঁতে প্ৰবল বিক্ৰমৰে যুদ্ধ কৰি শত্ৰুপক্ষক পৰাজিত কৰি দেশৰ সীমাৰপৰা খেদি পঠিয়ালে আৰু আনকি আক্ৰমণকাৰী শত্ৰুৰ ৰাজ্যও অধিকাৰ কৰিলে।

বিজয়-উৎসৱ পতা হ'ল। সমগ্ৰ দেশখনক আনন্দৰ জোৱাৰে চৌৱাই গ'ল।

নেতিয়া জ্ঞানী অদ্ভুতেশ্বৰে ৰাজমাওক ক'লেগৈ, "মা, মই এতিয়া বিদায় লওঁ।"

ৰাজমাওৱে চকুলো টুকি টুকি অদ্ভুতেশ্বৰ-

স্বামীৰ কপালত চুমা খাই ক'লে, "তোমাৰ নিচিনা পুত্ৰৰ মা হোৱাৰ বাবে মই ধন্য মানিছোঁ। তুমি বিপদত কৰ্তব্য কৰিলা।"

সিদিনাই অদ্ভুতেশ্বৰস্বামী তেওঁৰ আশ্ৰমলৈ উভতি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, এই অদ্ভুতেশ্বৰস্বামী যে আচলতে শিৰদত্ত, সেই কথাত সন্দেহ নাই। কিন্তু মোৰ মনত কেইটামান প্ৰশ্নৰ ধুমুহা উঠিছে। প্ৰশ্ন হ'ল—যিজন শিৰদত্তই ৰাজ্য তথা ৰাজত্বকো পৰিহৰি বনলৈ গুচি গ'ল, ৰাজত্বই যিজনক আমুৱালে, সেইজনেই মাতৃৰ কথাত পুনৰ দেশ উদ্ধাৰৰ কামত জঁপিয়াই পৰিল কিয়? আৰু তাৰ পাছত আকৌ বনলৈ গুচি গ'ল কি কাৰণে? এইবোৰ কথা তুমি জনা সত্বেও যদি সঠিককৈ এই প্ৰশ্নৰ উত্তৰ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব, সেই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজ বিক্ৰমাদিতই ক'লে, "শিৰদত্তৰ এই বৈপৰীত্যমূলক কাৰ্য্যৰ গুৰিতো আছে সেই অন্তৰৰ আহ্বান। মাতৃৰ দুঃখ মোচন কৰাৰ আহ্বান শিৰদত্তই অন্তৰেৰেপৰাই অনুভৱ কৰিছিল। শিৰদত্তই সন্ন্যাসী হৈয়ো মানুহৰ দুঃখ-কষ্টৰ প্ৰতি স্বাভাৱিক মৰম হেৰুৱা নাছিল, নাছিল অন্যায়ৰ প্ৰতিকাৰৰ প্ৰতি কোনো প্ৰকাৰৰ দ্বিধা-দ্বন্দ্ব। সেয়েহে, এনে অন্যায় আক্ৰমণৰ বিৰুদ্ধে সন্ন্যাসী হৈয়ো থিয় দিছিল আৰু মাতৃৰ পুত্ৰ হিচাপে, তথা দেশৰ নাগৰিক হিচাপেও সন্ন্যাসীৰূপী শিৰদত্তই তেওঁৰ কৰ্তব্যকৰ্ম যথোচিতভাৱে সম্পাদন কৰি পুনৰ বনলৈ গুচি গৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



গতিশীলতা-কাপুৰুষতা

ৰজাই ৰাজসভাত সুধিলে, "পৃথিৱীত আটাইতকৈ বেগৱান বা গতিশীল প্ৰাণী কি ?"

সভাত উপস্থিত থকা বহুতেই বহু ধৰণৰ উত্তৰ দিলে, কিন্তু ৰজাৰ মনঃপূত উত্তৰ ৰজাই এটাও নাপালে। সৰ্বশেষত ৰজাৰ ভাৰবীয়াই কৈ উঠিল, "মহাৰাজ, পৃথিৱীত আটাইতকৈ বেগৱান—মই যিমানদূৰ জানো—মইহে। মোতকৈ বেগৱান গতিশীল ক'তো কোনো নাই। মই এবাৰ এটা শহা, এটা পহু, আৰু ঘোঁৰা এটাকো লৰৰি চেৰ পেলাইছিলোঁ।"

বহুৰাই বহুৰালিয়ে ৰজাক বিতুষ্ট কৰি তুলিলে।

ৰজাই খং কৰি ক'লে, "মই প্ৰশ্নটো ধেমালিতে সোধা নাই।"

"ময়ো ধেমালিতে কোৱা নাই, মহাৰাজ!" ভাৰবীয়াই ক'লে, "পিছে—মই যে ইমান বেগৱান হৈছিলোঁ তাৰ অলপ কাৰণ আছিল। কাৰণটো হ'ল এয়ে যে—এটা বলিয়া কুকুৰে মোক খেদিছিল।"

ভাৰবীয়াৰ কথাত একেলগে ৰাজসভাস্থ সকলোটিয়েই আৰু অন্যান্যৰ লগত ৰজায়ো হো হোৱাই হাঁহি উঠিল।

তেতিয়া ভাৰবীয়াই বিনম্ৰভাৱে ক'লে, "যিকোনো প্ৰাণীৰ গতিশীলতাৰ অন্য নাম কাপুৰুষতা—এই উপলব্ধি নকৰাজনেহে মোৰ কথা শুনি উপলুণ্ঠ কৰিব পাৰে।"

কাপুৰুষতাৰ অভিনৱ ব্যাখ্যা শুনি ৰাজসভাত উপস্থিত থকা সকলোটিয়ে পুনৰ হাঁহিলে আৰু পৰিতুষ্ট ৰজাই ভাৰবীয়ালৈ যথযোগ্য উপহাৰ আগবঢ়ালে।

আমাৰ দেশৰ বিচিত্ৰ কথা

অজন্তা ইলোৰা

মহাৰাষ্ট্ৰৰ আহমদনগৰস্থ পাহাৰৰ ২৯ টা গুহা অপূৰ্বসুন্দৰ চিত্ৰেৰে শোভিত। এই গুহা-চিত্ৰসমূহ বিশ্বত বিখ্যাত। এই গুহা-চিত্ৰ-সমূহত বৌদ্ধমত প্ৰতিফলিত। খ্ৰিষ্টপূৰ্ব দুশ বছৰৰ আগেয়ে এই গুহা-চিত্ৰসমূহ অঁকা হৈছিল। এইবোৰেই হ'ল অজন্তাৰ চিত্ৰ।



এই গুহাসমূহত অংকিত চিত্ৰৰ মাজত অধিকভাগ চিত্ৰয়েই হ'ল খ্ৰিষ্টীয় ছয় আৰু সাত শতিকাৰ অবিস্মৰণীয় সৃষ্টি।

এইবোৰ চিত্ৰত কেৱল বৌদ্ধমতৰ নিদৰ্শন প্ৰতিফলিত হোৱা নাই, তৎ-কালীন সামাজিক অৱস্থাৰ বিবৰণো আছে। এখন চিত্ৰত এজন অশ্ব-ব্যৱসায়ীয়ে অশ্বৰ বিষয়ে ৰজাৰ সৈতে আলোচনা কৰা দেখা গৈছে। এই চিত্ৰখনে বিপুল খ্যাতি লাভ কৰিছে।



অন্যান্য ৰজাৰ চিত্ৰাৱলীত মহিলাসকলে ৰজাৰ সমুখত বহি গীত গাই থকা দেখা গৈছে। এই বিশ্ববিখ্যাত চিত্ৰখন খ্ৰিষ্টীয় সপ্তম শতিকাৰ অপূৰ্ব সৃষ্টি।


আওৰংগাবাদ নামৰ ঠাইৰপৰা ৩০ কিল'মিটাৰ দূৰৈত আছে ইলোৰাৰ গুহা। এইবোৰ গুহাত বৌদ্ধ, জৈন আৰু হিন্দু ধৰ্মৰ বিভিন্ন দিশ সম্পৰ্কে ৩৪ টা গুহা বা গৃহত বিভিন্ন ধৰণৰ চিত্ৰ অংকিত আছে। এইবোৰ চিত্ৰ খ্ৰিষ্টীয় চতুৰ্থ শতিকাৰ মূল্যবান সৃষ্টি।
VEERA



এই চিত্ৰগৃহ বা গুহাসমূহৰ মাজত আটাইতকৈ বিখ্যাত হ'ল কৈলাসনাথৰ গুহা। এচটা গোটা শিলত নিৰ্মিত তথা চিত্ৰিত এনেহেন অপৰূপ দৰ্শনীয় বস্তু পৃথিৱীৰ আন কোনো ঠাইত বিচাৰি পাবলৈ নাই বুলি কোৱা হয়।

বহলে ১৫৪ ফুট আৰু ২৭৬ ফুট ওখ এই ষোড়শ গুহাটি বিশ্বত সমধিক বিখ্যাত। এই কৈলাসনাথ গুহাত হিন্দু ধৰ্মত বৰ্ণিত শিৱ-পাৰ্বতীৰ বিভিন্ন লীলাৰ চিত্ৰ অংকিত আছে। এই চিত্ৰসমূহ ৰঙে-ৰেখাই অপূৰ্ব ৰূপময়।



পঞ্চদশ গুহাটিত বৈচিত্ৰ্যময় চিত্ৰৰ মাধ্যমেৰে বামনাৱতাৰৰ ৰূপ প্ৰতিফলিত হৈছে। 'বৈচিত্ৰ্যমণ্ডিত ইলোৰা' নামৰ গ্ৰন্থৰ ৰচয়িতাই মন্তব্য কৰিছে: 'প্ৰাচীন শিল্পকলাৰ মাজত ইলোৰাত অংকিত চিত্ৰতকৈ শ্ৰেষ্ঠ চিত্ৰাৱলী পৃথিৱীৰ আন ক'তো বিচাৰি পাবলৈ নাই।'

চন্দ্ৰগ্ৰহণৰ ৰহস্য

সিপুৰীলৈ ওলোৱা বুঢ়ী এজনীয়ে হেঁপাই-ফোঁপাই তেওঁৰ নাতিয়েক দুটাক মাতি ক'লে, "বোপাইঁত, মোৰ ওচৰত সোণ-ৰূপ একো নাই। এখন পটা আৰু এটা পটাগুটি পাকঘৰত আছে। পটাখন ডাঙৰে ল', আৰু পটাগুটিটো ল সৰুৱে। এই দুটা বস্তু তহঁতৰ ওচৰত থাকেমানে তহঁত সুখতে থাকিবি।"

বুঢ়ী মৰাৰ অন্তত ডাঙৰটো নাতিয়েকে ভাবিলে: পটা এখনেৰে মোৰ ফটা কপাল যোৰা লাগিবনে? পটাৰে এটা কামো কৰিব নোৱাৰিম। —এই কথা ভাবি সি আন গাঁৱলৈ গৈ বিভিন্ন কাম-বন কৰি থাকিল।

বুঢ়ীৰ সৰুটো নাতিয়েকে ভাবিলে: আইতাই কৈ গ'লেই যেতিয়া—পটাগুটিটোৱে কিবা কাম হওক-নহওক মই মোৰ কাষতে ৰাখি থ'ম। কোনোবাদিনা যে পটাগুটিটো কিবা কামত নালাগিব তাকো ন-দি ক'ব নোৱাৰি। —সি আছিল কাঠকটীয়া। হাবি কাটি খৰি আনি সেই কাঠ-খৰি বেচি সি পেট প্ৰৱৰ্তাইছিল। কিন্তু পটাগুটিটো সি য'লৈকে নাযাওক লগে লগে লৈ গৈছিল।

এদিন গভীৰ অৰণ্যত কাঠ কাটি থাকোঁতে হঠাৎ এটা বিৰাট কুকুৰনেচীয়া তাৰ চকুত পৰিল। সি ভয়তে এজোপা ওখ গছ বগাই উঠিলেগৈ। কুকুৰনেচীয়াটোৱে গছজোপাৰ তললৈ আহি তাক ক'লে, "হেৰা, তুমি ভয় নাখাবা। তোমাৰ অনিষ্ট কৰিবলৈ মই ইয়ালৈ অহা নাই। তোমাৰ পটাগুটিটো মোক অলপ দিবানে?"

'মানদেশৰ সাধু'

"পটাগুটিটোৰে তুমি কি কৰিবা?"

কুকুঁৰনেচীয়াটোৱে ক'লে, "মোৰ লগৰীয়া কুকুৰনেচীয়াটো অলপ আগতে মৰিল। তোমাৰ এই পটাগুটিটো তাৰ নাকৰ আগত ছোৱালেই সি জী উঠিব।"

"মোৰ পটাগুটিটোৰ ইমানেই গুণনে?"

"আহাঁ, তুমি নিজেই চাই যোৱাহি।"

সি গছৰপৰা নামি আহি কুকুৰ-নেচীয়াটোৰ লগে লগে গৈ থাকিল। অৰণ্যৰ গভীৰত এটা কুকুৰনেচীয়া মৰি পৰি আছিল। বুঢ়ীৰ সৰু নাতিয়েকে পটাগুটিটো মৰি থকা কুকুৰনেচীয়াটোৰ নাকৰ আগত ছোৱালে আৰু মুহূৰ্ততে মৰা কুকুৰনেচীয়াটো জী উঠিল।

তেতিয়া প্ৰথম কুকুৰনেচীয়াটোৱে বুঢ়ীৰ নাতিয়েকক ক'লে, "তোমাৰ পটা-গুটিটোৰ ক্ষমতাৰ সীমা নাই। কিন্তু— এই কথা আন কোনেও নজনালৈকেহে পটাগুটিটোৰ এই ক্ষমতা তথা মহিমা থাকিব, আৰু জানিলেই নোহোৱা হ'ব।"

তাৰ পাছত বুঢ়ীৰ সৰু নাতিয়েক ম-পনে সেই পটাগুটিটো লগত লৈ গাঁৱলৈ উভতি যাবলৈ ধৰিলে। বাটত এটা মৰা কুকুৰ দেখা পাই সি পটাগুটিটো কুকুৰটোৰ নাকৰ আগত লৈ যোৱাৰ লগে লগে কুকুৰটো জী উঠিল আৰু ম-পনৰ পিছে পিছে গৈ থাকিল।

এইদৰে এটাৰ পাছত আনটোকৈ পুনৰ জীৱনদানৰ ঘটনা ঘটাৰ ফলত চাওঁতে চাওঁতে ম-পন বিখ্যাত হৈ পৰিল।

কিছুদিনৰ অন্তত সেই দেশৰ ৰজাৰ জীয়েকৰ মৃত্যু হ'ল আৰু ৰজাই তেতিয়া বুঢ়ীৰ সৰু নাতিয়েক ম-পনক মতাই অনালে, আৰু ম-পনেও হেলাৰঙে ৰাজ-কুঁৱৰীক পুনৰ্জীৱন দান কৰিলে।

অবাক আৰু কৃতজ্ঞ ৰজাই ম-পনৰ সৈতে নিজৰ জীয়েকৰ বিয়া পাতি দিলে। কিন্তু ৰজাৰ জোঁৱায়েক হোৱাৰ পাছতো ম-পনে মৰা মানুহক আৰু অন্যান্য বহুতো

প্ৰাণীকো আগৰদৰেই জীয়াই তুলি থাকিল। প্ৰজাৰ মৃত্যুভয় একেবাৰে নোহোৱা হ'ল।

আৰু পটাগুটিটোৰ সহায়ত ম-পন আৰু তাৰ পত্নী ৰাজকুঁৱৰী মি-পিন যুগ যুগ ধৰি অটুট যৌৱনৰ অধিকাৰী হৈ থাকিল।

এই ঘটনা দেখি চন্দ্ৰ [অৰ্থাৎ জোন] ঈৰ্ষান্বিত হৈ উঠিল। চন্দ্ৰৰদৰে চিৰযৌৱনা জগতত আন কোনো থকাটো চন্দ্ৰই একেবাৰেই সহ্য কৰিব নোৱাৰিছিল। সেই দেখি, ম-পনৰ পটাগুটিটো চুৰ কৰিবলৈ চন্দ্ৰই ছেগ চাই আছিল।

এদিন পটাগুটিটো সেমেকি যোৱা যেন পাই ম-পনে পটাগুটিটো ৰ'দত থৈ কাষত পৰ দি বৈ থাকিল।

গিৰিয়েকক তেনেহেন থিয় ৰ'দত বৈ থকা দেখি ৰাজকুঁৱৰী মি-পিনে ম-পনক ক'লে, "তুমি হ'লা ভৱিষ্যতৰ ৰজা। তেনেকৈ পৰীয়া হৈ বহি থাকিব নাপায়। আমাৰ কিবা পৰায়াৰ অভাৱ হ'লনে ?"

"কিন্তু—এই কুকুৰটোৰ বাহিৰে মই কাকো বিশ্বাস নকৰোঁ।" এই বুলি কৈ, পটাগুটিটোক পৰ দিবলৈ কুকুৰটোক কৈ, ম-পন প্ৰাসাদৰ ভিতৰলৈ গুচি গ'ল।

আৰু এই ছেগতে চন্দ্ৰই অৰ্থাৎ জোনবায়ে ম-পনৰ আইতাকৰ পটাগুটিটো চুৰ কৰি পলাই যাবলৈ ধৰিলে। তেতিয়া আছিল আউঁসীৰ নিশা। কুকুৰটোৱে এন্ধাৰৰ আঁৰ লৈ গুচি যোৱা জোনবাইক দেখা পোৱা নাছিল ; কিন্তু পটাগুটিটোৰ-পৰা ওলোৱা গোন্ধৰ পম খেদি জোনবাইৰ পিছে পিছে গৈ থাকিল।

মানদেশৰ মানুহৰ এতিয়াও ধাৰণা যে, ম-পনৰ কুকুৰটোৱে আজিকোপতি জোনবাইৰ পিছ খেদি আছে। চন্দ্ৰগ্ৰহণৰ কালত মানদেশৰ মানুহে কয় ঃ সোৱা, কুকুৰটোৱে জোনবাইক গিলি পেলালে। গ্ৰহণৰ অন্তত তেওঁলোকে কয় যে কুকুৰটোৱে জোনবাই বঁতিয়াইছে।



তাও

অৱন্তীপুৰৰ ৰজা মদমত্তবৰ্মাৰ মোচকোচা আছিল তেওঁৰ ওচৰত অতি প্ৰিয়। তেওঁ সন্তানক মৰম কৰাদি মোচকোচাকো মৰম কৰিছিল আৰু সদায় মোচত তাও দিয়াৰ ভংগীৰে তেওঁৰ মোচকোচাত আলফুলে হাত ফুৰাইছিল।

মদমত্তবৰ্মাৰ ব্যক্তিগত নাপিত আছিল নৰহৰি। এদিন নৰহৰিয়ে ৰজা মদমত্তৰ দাড়ি খুৰাওঁতে হঠাৎ মোচৰো এছোৱা ভুলতে কাটি পেলালে। পাছ মুহূৰ্ততে নিজৰ এই বিষম ভুলৰ কথা বুজিব পাৰি পাওঁ কঁপা দিয়া নৰহৰি নাপিতে মনতে ভাবিলে: মোচৰ মোৰ ধৰিব পাৰিলেই—গম পোৱামাত্ৰেই—ৰজাই মোক নিশ্চয় ফাঁচীৰ জৰীত ওলোমাব। এইবাৰ আৰু ৰক্ষা নাই মোৰ। ভাবি সি ভিতৰি ভিতৰি ঘামিবলৈ ধৰিলে। তাৰ পাছত হঠাৎ সি বুদ্ধি খটুৱাই ৰজা মদমত্তক ক'লে, "মহাৰাজ, যিকোনো মানুহেই হ'ল অভ্যাসৰ দাস। আনকি ৰজা-মহাৰজাসকলো।'

মহাৰাজ মদমত্তই কৈ উঠিল, "কিন্তু মই সেইবোৰ দাসত্বত নাই। মই মন কৰিলেই যিকোনো মুহূৰ্ততে যিকোনো অভ্যাস ত্যাগ কৰিব পাৰোঁ।" ৰজাই দন্তালিৰে নাপিতৰ পো-ক ক'লে।

"ইমান সহজ নহয়, মহাৰাজ। যেনে—মোচত তাও দিয়াটো আপোনাৰ চিৰকলীয়া অভ্যাস। মোচ নাথাকিলেও আপুনি তাও দিয়াৰ অভ্যাস এৰিব নোৱাৰিব।" নৰহৰিয়ে ক'লে।

"হয়নে ?" ৰজাই সদম্ভে নৰহৰি নাপিতক ক'লে, "বোলোঁ হয়নে ? ঠিক আছে, মোৰ মোচকোচা খুৰাই পেলা, তাৰ পাছত চা. চাই থাক মই তাও দিওঁনে কি।"

নৰহৰিয়ে আৰু পলম নকৰি তৎমুহূৰ্তেই ৰজাৰ ধুনীয়া মোচকোচা খুৰাই পেলালে।

আৰু কেইমুহূৰ্তমানৰ পাছত ৰজাই মোচত তাও দিবলৈ ধৰাত নৰহৰি হাঁহি উঠিল। ৰজাই নিজৰ ভুল বুজি পাই তেতিয়াই নৰহৰিক যথাযোগ্যভাৱে পুৰস্কৃত কৰিলে।

কৃষ্ণাৱতাৰ

২

মেৰু পৰ্বতত অনুষ্ঠিত দেৱসভাৰপৰা ওলাই নাৰদ পোনে পোনেই মথুৰা নগৰলৈ গ'ল। গৈ গৈ কংসৰ প্ৰাসাদৰ আগত থিয় হোৱাৰ লগে লগে প্ৰহৰীহঁতে নাৰদক সসন্মানে ভিতৰলৈ লৈ গ'ল। নাৰদে কংসক নমস্কাৰ কৰি বিভিন্ন প্ৰশংসামূলক কথাৰে আনন্দ দান কৰিলে আৰু কংসয়ো নাৰদমুনিক সানন্দে আপ্যায়ন কৰিলে।

নাৰদে আন সকলোটিয়ে শুনিব পৰাকৈ কংসক ক'লে, "বোপা, তীৰ্থক্ষেত্ৰ ভ্ৰমি মই মেৰুপৰ্বত পাইছিলোঁগৈ। তালৈ গৈ দেখা পালোঁ যে—ব্ৰহ্মা আৰু অন্যান্য দেৱতাসকলে এখন সভা পাতিছে আৰু সেই সভাত এক বিশেষ বিষয় লৈ আলোচনা কৰিছে। মই তাত অলপ পৰলৈ ৰ'লোঁ। অলপ পাছত মই বুজি পালোঁ যে—তেওঁলোকে তোমাক বধ কৰিবলৈ এটা চক্ৰান্ত পাঙিছে। শুনিলোঁ, দৈৱকীৰ অষ্টম পুত্ৰইহে হেনো তোমাক বধ কৰিব। কথাখিনি মই নিজ কৰ্ণেৰে শুনা বাবেইহে তোমাক কৈছোঁ। বিপদৰ কবলৰপৰা নিজক ৰক্ষা কৰিবলৈ চেষ্টা কৰাঁ। এই বিপদৰপৰা ৰেহাই পাবলৈ যি কৰণীয় কৰিবা। ধৰ্মৰ বাটেৰে সুখী জীৱন যাপন কৰিবা। মই তোমাৰ ভালৰ কাৰণেহে এই কথাখিনি ক'বলৈ ইয়ালৈ আহিলোঁ। অতি সাৱধান হৈ থাকিবা।"

'কালনেমি-কথা'

নাৰদমুনি শুচি যোৱাৰ পাছত কংসই তাত উপস্থিত থকাইঁতলৈ মৃদুকৈ হাঁহি মাৰি ক'লে, "নাৰদমুনি বুলিহে মই তেওঁক একোৱেই নক'লোঁ, কেৱল তেওঁৰ কথা শুনিলোঁ। নানান বেবেৰিবাং কথা কৈ তেওঁ মোক ভয় খুৱাবলৈ চেষ্টা কৰিছে। নাৰদৰ কথা যদি সঠিক হয়, তেনেহ'লে —ব্ৰহ্মা আৰু অন্যান্য দেৱতায়ো মোক বধ কৰিব। কিন্তু—এই কথাত মইনো ভীত হ'ম কিয়? মন কৰিলেই মই দিগদিগন্তৰ সকলোকে হাতৰ মুঠিত ভৰাই থ'ব পাৰোঁ। পৰ্বত যদি উৰি যায়, সাগৰ যদি শুকাই যায়—তথাপি মই যেনেকৈ চলি আছোঁ, তেনেকৈয়েই চলি থাকিম। আচলতে—নাৰদৰ কথাৰ একো গুৰুত্ব নাই। তেওঁৰ মুখত সদায় আঁখে ফুটাদি কথা ফুটে। তেওঁ নিমাত হৈ থাকিবই নোৱাৰে। ইজনৰ বিৰুদ্ধে সিজনক উত্তেজিত কৰি তোলাটোৱেই নাৰদৰ কাম। 'নাৰদ নামিল' বচনযাৰৰ এনেয়ে সৃষ্টি হোৱা নাই। নাৰদে দুই পক্ষৰ মাজত যুঁজ লগাই ৰং চাবলৈ ভাল পায়। কিন্তু সেই বুলি মই নাৰদৰ মুখে শুনিয়েই মাটিত সাত কিল নামাৰোঁ। কিয়নো, নাৰদে সাপ হৈ খায়, বৈদ হৈ জাৰে। এয়ে তেওঁৰ স্বভাৱ। যদুবংশৰ কোনোবাই যদিহে সঁচাসঁচিকৈ মোক হত্যা কৰাৰ ফন্দী কৰিছে, ময়ো সিহঁতৰ ওপৰত কটকটীয়াকৈ লক্ষ্য ৰাখিম। আৰু, মই এতিয়াৰেপৰাই শত্ৰুপক্ষক নিৰ্মূল কৰাৰ চেষ্টা কৰিম; আনকি, শত্ৰুপক্ষৰ কোনোবাজনীৰ গৰ্ভত যদি সন্তান আছে, সেই সন্তানকো মাৰি পেলোৱাৰ ব্যৱস্থা কৰিব লাগিব। নাৰদৰ কথা যাতে নফলিয়ায়, তালৈ চোকা দৃষ্টি দিব লাগিব। মই জীয়াই থকাদিনলৈকে মোৰ ওপৰত আনকি মোৰ মিত্ৰ-বন্ধুসকলৰ ওপৰতো যাতে আক্ৰমণ নহয়, তাৰ প্ৰতি সতৰ্ক দৃষ্টি দিয়াটো মোৰ একান্ত কৰ্তব্য।"


Sankar

যে—কংসই 'প্ৰকাশ্যে নাৰদৰ কথাত গুৰুত্ব নিদিয়া সত্বেও আত্মৰক্ষাৰ ব্যৱস্থা নকৰাকৈ থকা নাই। এই প্ৰসংগত তেওঁৰ মনত পৰিল অতীতৰ এটা ঘটনাঃ

পাতাল-লোকত কালনেমিৰ ছজন পুত্ৰ আছিল। ব্ৰহ্মাৰপৰা অমৰত্বৰ বৰ লাভ কৰিবলৈ কালনেমিৰ এই ছয় পুত্ৰই কঠোৰ তপস্যা আৰম্ভ কৰিছিল। তেতিয়া হিৰণ্যকশিপুৱে তিনিও লোক শাসন কৰি আছিল। কালনেমিৰ পুত্ৰহঁতে তপস্যা কৰাৰ কথা জানিব পাৰি হিৰণ্যকশিপুৱে সদম্ভে কৈছিল; 'মই হ'লোঁ তিনিও লোকৰ শ্ৰেষ্ঠ পুৰুষ। মই জীয়াই থাকোঁতে সিহঁতে আনৰপৰা বৰ লাভ কৰিবলৈ তপস্যাত ধৰিছে। সিহঁতে এই অপৰাধৰ দণ্ড ল'ব লাগিব। যিগৰাকী পিতৃয়ে তোমালোকক লালন-পালন কৰি ডাঙৰ-দীঘল কৰিলে, সেইজনৰ হাততেই তোমালোকৰ মৃত্যু হ'ব।"

এই ঘটনাটোৰ কথা মনত পৰাত বিষ্ণুৱে যোগমায়াক মতাই অনাই ক'লে "এটা বিশেষ কাম কৰিব লাগিব। কালনেমিৰ ছজন পুত্ৰ আছে—জানাই। সিহঁতৰ একো একোজনকৈ দৈৱকীৰ গৰ্ভত সঞ্চাৰ কৰি দিয়া। তাৰ পাছত—সিহঁতৰ জন্ম হোৱাৰ লগে লগে কংসই সিহঁতক

তাৰ পাছত কংসই তেওঁৰ একান্ত বিশ্বস্তসকলক মতাই অনাই তেওঁলোকক ক'লে, "আজিৰপৰা দৈৱকীৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিব লাগিব। দৈৱকী গৰ্ভৱতী হোৱামাত্ৰেই মই যাতে খবৰ পাওঁ তাৰ ব্যৱস্থা কৰিব লাগিব। আৰু এইবোৰ কাম কাউৰী এটায়ো গম নোপোৱাকৈ কৰিব লাগিব।"

ইতিমধ্যে নাৰদে বিষ্ণুক ক'লেগৈ যে, এইবোৰ কথা কংসক কোৱাত কংসৰ কেনেকুৱা প্ৰতিক্ৰিয়া হৈছে, আৰু কংসই কেনে ধৰণৰ ব্যৱস্থা অৱলম্বন কৰিছে।

নাৰদৰ কথা শুনি বিষ্ণুৱে বুজি পালে

মাৰি পেলাব। কিন্তু দৈৱকীৰ গৰ্ভৰ সপ্তম সন্তানটিক ৰোহিণীৰ গৰ্ভত সঞ্চাৰ কৰি দিবা। তেতিয়া সকলোটিয়েই এই কথা ভাবিব যে—দৈৱকীৰ এই সপ্তম সন্তানটিৰ গৰ্ভতে মৃত্যু হ'ল। পাছত—ৰোহিণীৰ গৰ্ভত যিজন জন্ম হ'ব, তেওঁ হ'ব মোৰেই জ্যেষ্ঠ ভ্ৰাতা। তেওঁৰ নাম হ'ব বলৰাম। আৰু তাৰ পাছত—মই যেতিয়া দৈৱকীৰ অষ্টম সন্তানৰূপে দেৱকীৰ গৰ্ভত অনুপ্ৰৱিষ্ট হ'ম, তেতিয়া তুমি কংসৰ গৰখীয়া নন্দৰ পৰিবাৰ যশোদাৰ গৰ্ভত অনুপ্ৰৱিষ্ট হ'বাগৈ। কংসই আন সন্তানবিলাকক আছাৰ মাৰি মাৰি মাৰি পেলোৱাৰ দৰে তোমাকো মাৰি পেলাবলৈ চেষ্টা কৰিব। তুমি তেতিয়া পট্‌কৈ আকাশলৈ উৰা মাৰি গুচি যাবাগৈ। আৰু সেই মুহূৰ্ততে ইন্দ্ৰই তোমাক আদি-শক্তিৰ ৰূপ দান কৰি অভিষিক্ত কৰিব। তোমাৰ গাত্ৰবৰ্ণ হ'ব ডাঠ নীলা মেঘৰ বৰণৰ দৰে। তোমাৰ মুখমণ্ডল হ'ব পূৰ্ণচন্দ্ৰহেন। তোমাৰ আঠখন হাত থাকিব; প্ৰতিখন হাতত চক্ৰ, গদা, খড়্গ, পদ্মমধুপূৰ্ণ কলহ আদি থাকিব। তোমাৰ পিন্ধনত থাকিব নীলবৰ্ণ ৰেছম-বস্ত্ৰ। সকলো দেৱতাই তোমাক পূজিব।"

বিষ্ণুৰ এই কথাত যোগমায়াই সন্মতি জ্ঞাপন কৰিলে। আৰু তাৰ পাছত, যোগমায়াৰ মহিমাৰে দৈৱকীৰ গৰ্ভত একে

একে ছটি সন্তানৰ জন্ম আৰু কংসৰ হাতত মৃত্যু হোৱাৰ পাছত যেতিয়া দৈৱকী সপ্তম-বাৰ সন্তানসম্ভৱা হ'ল, তেতিয়া যোগমায়াই সেই গৰ্ভস্থ শিশুক মায়াবলেৰে গোকুলত ৰোহিণীৰ গৰ্ভত সঞ্চাৰ কৰিলে।

কেইমাহমানৰ অন্তত ৰোহিণীয়ে জোনহেন ধুনীয়া পুত্ৰ প্ৰসৱ কৰিলে। এই পুত্ৰৰ নাম হ'ল বলৰাম। তাৰ পাছত দেৱকীৰ গৰ্ভত অনুপ্ৰৱিষ্ট হ'ল বিষ্ণুৰ অংশ। আৰু একে দিনাই গোকুলত থকা নন্দ গুৱালৰ পত্নী যশোদাও গৰ্ভৱতী হ'ল।

কেইমাহমানৰ পাছত, দশম মাহত, শাওণ মাহৰ কৃষ্ণপক্ষৰ অষ্টমীৰ মাজনিশা, পাঁচটি গ্ৰহৰ সন্মিলনৰ মুহূৰ্ত্তত বিষ্ণুৰ অংশ কৃষ্ণৰ জন্ম হ'ল দৈৱকীৰ গৰ্ভত। আৰু সেই মাজনিশা দৈৱকী আৰু বসুদেৱৰ বাহিৰে আন কোনো সাৰে নাছিল। আনকি প্ৰহৰীহঁতো আছিল গভীৰভাৱে নিদ্ৰাচ্ছন্ন।

বসুদেৱে ভাবিলেঃ দৈৱকীৰ সন্তান উপজিল। এই কথা ভাবি, সেই মাজ নিশা বসুদেৱ দৈৱকীৰ ওচৰলৈ গ'ল। নৱজাত শিশুটিক দেখি বসুদেৱৰ হিয়া-মন আনন্দৰে উপচি পৰিল। কিন্তু তৎক্ষণাৎ ভাবিলেঃ দুৰাত্মা কংসই ইমান ধুনীয়া ফুলহেন শিশুটিক মাৰি পেলাব—আৰু মই থিয়ৈ থিয়ৈ চাই থাকিমনে? মই এই শিশুটিক আন ক'ৰবাত লুকুৱাই থৈ দিম।

ইমান ধুনীয়া শিশুটিক হেৰুৱাব লাগিব—কংসক দি দিব লাগিব—এই চিন্তাই দেৱকীকো ভাৰাক্ৰান্ত কৰি তুলিছিল। ৰসুদেৱে দৈৱকীক তাৰ মনৰ কথা ক'লে, আৰু শিশুটিক তৎক্ষণাৎ কোলাত দাঙি লৈ নন্দ গুৱালৰ ঘৰলৈ গ'ল। যশোদা তেতিয়া নিদ্ৰাচ্ছন্ন, কিয়নো, অলপমান আগতেই যশোদাই এটি কন্যা সন্তান প্ৰসৱ কৰিলে আৰু তাৰ ফলত ক্লান্ত হৈ টোপনিত লাল-কাল দিলে।

বসুদেৱে নিদ্ৰামগ্না যশোদাৰ কাষত নিজৰ পুত্ৰসন্তানটিক আলফুলকৈ থৈ দিলে আৰু যশোদাৰ কন্যাসন্তানটিক দৈৱকীৰ বুকুত থৈ দিলে। তাৰ পাছত বসুদেৱে নিজেই গ'ল কংসৰ ওচৰলৈ, গৈ ক'লে যে দৈৱকীৰ এইবাৰ এটি কন্যাসন্তান উপজিল।

সেই মুহূৰ্ততে কংস দৈৱকীৰ ওচৰলৈ গ'ল আৰু গম্ভীৰ কণ্ঠেৰে দৈৱকীক ক'লে, "শিশুটিক দিয়াচোন।"

দৈৱকীয়ে কংসক ক'লে, "ককাইদেউ, ইমান ব্যস্ত নহ'বাচোন। এইবাৰৰ সন্তানটি হ'ল কন্যাসন্তান। তোমাৰ নিচিনা মহা-প্ৰতাপশালী সৰ্বলোকমান্য বীৰ এগৰাকীক এজনী কন্যাসন্তানে কি কৰিব? মোৰ প্ৰতিটি সন্তানক তোমাৰ হাতত গটাই দিলোঁ, তোমাৰ ইচ্ছা পূৰণ কৰিলোঁ। এইবাৰ তুমি মোক দয়া কৰাঁ।"

কংসই দৈৱকীৰ এই কাবৌ-কাকূতি কাণতো নুতুলিলে। দৈৱকীৰ বুকুৰপৰা শিশুকন্যাটিক বলেৰে কাঢ়ি নি, প্ৰতিবাৰৰ দৰে সেইবাৰো আছাৰি মাৰি পেলাবলৈ ধৰোঁতেই শিশুটি হঠাৎ কংসৰ হাতৰপৰা এৰা খাই আকাশলৈ উৰা মাৰিলে আৰু শূন্যতে আদিশক্তিৰ ৰূপ ধাৰণ কৰিলে। তাৰ পাছত, আদিশক্তিয়ে শূন্যতে এক কলহ মধু পান কৰি অট্টহাঁহি মাৰি কংসক ক'লে, "হেৰ দুৰাত্মা, মোক যে আছাৰি মাৰি পেলাব খুজিছিলি, তাৰ বাবে তই শাস্তি ল'ব লাগিব। সেই শাস্তিৰ মুহূৰ্তত মই তোৰ প্ৰাণ আৰু দেহস্থ তেজৰ প্ৰতিটি টোপাল শুহি খাবলৈ আহিম। তোক যিজন বধ কৰিব, সেইজন ইতিমধ্যেই পৃথিৱীত জনম ল'লে।" এই বুলি কৈয়েই আদিশক্তি অদৃশ্যা হ'ল।

আদিশক্তিৰ কথাত ভীত হৈ, কংসই দৈৱকীৰ আগত হাত যোৰ কৰি ক'লে, "মই প্ৰাণৰ ভয়তে তোমাৰ শিশুকন্যাক অপহৰণ কৰিছিলোঁ, তোমাৰ সন্তানসৱকো একেটা কাৰণতে হত্যা কৰিলোঁ। কিন্তু

তথাপি মোক বিপদে এৰা দিয়া নাই। বুজি পাইছোঁ, ক্ষুদ্ৰ মানৱে ব্ৰহ্মাৰ ললাট-লিপিক খণ্ডন কৰিব নোৱাৰে। আমি নিমিত্ত মাথোন। ৰক্ষা কৰা আৰু বধ কৰা— কালপুৰুষৰ পক্ষেহে সম্ভৱ। মই তোমাৰ শ্ৰীচৰণত ধৰি মোক কৃতকৰ্মৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।" অতি অসহায়ভাৱে কংসই দৈৱকীক ক'লে।

দৈৱকীয়ে কান্দি কান্দি ক'লে, "মোৰ ভাগ্যত এই সন্তান-শোক আছিল বুলি ধৰি ল'ব লাগিব তেন্তে। ভাগ্যক মানি ল'লে তোমানো আৰু কেনেকৈ দূষিম? তুমি দেখোন নিমিত্ত মাথোন!"

নন্দ গুৱালৰ ঘৰত তেতিয়া উৎসৱ। বসুদেৱো তালৈ গ'ল আৰু নন্দক ক'লে, "কেনে ধুনীয়া ফুলহেন পুত্ৰসন্তানৰ পিতৃ হ'লা তুমি! তুমি—তুমি সঁচাকৈয়েই সৌভাগ্যৱান। তুমি তোমাৰ পুত্ৰসন্তানটিক লৈ গোকুললৈ যোৱা। তাত মোৰ পত্নীৰ গৰ্ভজাত পুত্ৰ-সন্তান আছে। সেই পুত্ৰ-সন্তানটিক তোমাৰ জ্যেষ্ঠপুত্ৰ আৰু এইটিক কনিষ্ঠ পুত্ৰ ৰূপে লালন-পালন কৰি ডাঙৰ-দীঘল কৰি তোলাগৈ। সদায় সন্তানহঁতৰ প্ৰতি সতৰ্ক দৃষ্টি দিবা, কিয়নো কংস এতিয়ালৈকো জীৱিত। ৰোহিণীৰ সন্তান জীৱিত। কংসই নিযুক্ত কৰা শিশুহত্যা-কাৰীৰ নাম হ'ল পুতনা। পুতনাৰ এক-মাত্ৰ কাম হ'ল শিশুসন্তান বিচাৰি উলিউৱা। ৰাতি পুৱাৰ আগতেই তুমি সন্তানটিৰে সৈতে তালৈ গুচি যোৱা। তুমি যি উদ্দেশ্যত ইয়ালৈ আহিছিলা, সেই উদ্দেশ্য সফল হ'ল। এতেকে— এতিয়া তালৈ গুচি যোৱাত তোমাৰ একো অসুবিধা নেদেখোঁ।"

বসুদেৱৰ কথা মতে নন্দই তাৰ নৱজাত শিশুপুত্ৰটিক এটা পাচিৰ ভিতৰত থৈ, পত্নীৰে সৈতে গৰুৰ গাড়ীত উঠি অন্য ঠাইলৈ আগবাঢ়ি গৈ থাকিল।



পাত্ৰ-অপাত্ৰ

শ্ৰাৱন্তীপুৰৰ ৰজা সুকেতুৱে চিকাৰলৈ ওলাই অৰণ্যত বাট হেৰুৱালে। বহু দূৰলৈকে যোৱাৰ পাছত তেওঁ দেখা পালে যে তেওঁৰ লগত, বা আগে-পিছে কোনো নাই। হঠাৎ তেওঁ তাত নিদ্ৰামগ্ন গৰখীয়া এজন আৰু অনতিদূৰতে বহি চিত্ৰ আঁকি থকা শিল্পী এজনকো দেখা পালে।

ৰজাই শিল্পীৰ কাষ চাপিল আৰু শিল্পীয়ে অঁকা চিত্ৰ চাই প্ৰশংসাও কৰিলে।

শিল্পীয়ে বুজি পালে যে, তেওঁৰ প্ৰশংসাকাৰীজন নিশ্চয় এই দেশৰ ৰজা। শিল্পীয়ে ৰজাক নমস্কাৰ কৰি সবিনয়ে ক'লে, "মহাৰাজ, মোৰ নাম অনন্ত। যি অৰণ্যত বাঘ, নাহৰফুটুকী, আৰু ভালুক আছে, তাত যে গৰখীয়াটোৱে কিয় গৰু-ভেড়া চৰাবলৈ আহিব—সেই কথা ভাবিলেও তৰধ মানিব লাগে। সি তাৰ ভেড়াবোৰ ইয়াত চৰি ফুৰিবলৈ মেলি দিয়াতো মই বিস্মিত। চাওক মহাৰাজ, সি গৰখীয়াই কেনে নিশ্চিন্ত-প্ৰশান্তভাৱে নিদ্ৰামগ্ন হৈ আছে চাওক!"

ৰজাৰ সুকেতুৱে এবাৰ সেই গৰখীয়ালৈ আৰু আকৌ এবাৰ শিল্পীয়ে অঁকা চিত্ৰলৈ চাই, শিল্পীৰ ডিঙিত নিজৰ মহামূল্য মালাধাৰ পিন্ধাই দিলে আৰু ক'লে, "এই মালাধাৰ তোমাক দিলোঁ, তাৰ সলনি মোক এই চিত্ৰখন দিয়া।"

শিল্পীয়ে ৰজাক আকৌ ক'লে, "মহাৰাজ, এই চিত্ৰৰ মূল হ'ল এই গৰখীয়া ল'ৰাটো। মই মোৰ জীৱন বিপদাপন্ন কৰিও চিত্ৰ আঁকিবলৈ এনে অটব্য অৰণ্যলৈ সোমাই-ছিলোঁহি। আহি—এই দৃশ্য দেখা পাই—

বংশী ঠাকুৰ

লগে লগে আঁকিলোঁ। এতেকে—এই মালধাৰ মই গৰখীয়াৰ ডিঙিত পিন্ধাম।”

তেতিয়া ৰজা সুকেতুৱে তেওঁৰ হাতৰ আঙুলিৰপৰা এটা মহামূল্যৱান হীৰাৰ আঙঠি শিল্পীৰ হাতৰ আঙুলিত পিন্ধাই দিলে আৰু ক’লে, “তুমি মোক আন এখন চিত্ৰও দিবা। এই কথাটো যাতে পাহৰি নাথাকা, তাৰ বাবে এই আঙঠি পিন্ধালোঁ।”

তিমানতে ৰজাৰ লগৰীয়াসকলো তাত আহি পাইছিলহি, আৰু লগৰীয়াসকলৰ সৈতে ৰজা ৰাজধানীলৈ উভতি গ’ল।

*

পঁচিছ বছৰৰ পাছত শিল্পী অনন্ত ৰাজধানীলৈ আহিল আৰু ৰজা সুকেতুৰ দৰ্শনপ্ৰাৰ্থী হ’ল। ঠিক তেতিয়াই ৰজাই বন্দী এজনক মৃত্যুদণ্ড দিছিল। এই মৃত্যু-দণ্ড কালিলৈ কাৰ্য্যকৰী কৰা হ’ব।

শিকলিৰে হাত বন্ধা বন্দীৰ পিনে শিল্পী অনন্ত চাই আছিল। এনেতে ৰজাই অনন্তক ক’লে, “শিল্পী! তোমালৈ সাদৰ অভিনন্দন! পিছে—মোৰ বাবে আন কোনো চিত্ৰ লৈ আহিলানে?”

অনন্তই বন্দীলৈ আঙুলিয়াই ৰজাক ক’লে, ”মহাৰাজ, মানুহৰ মন যে কিমান কঠিন হ’ব পাৰে, মানুহৰ মাজতো যে কিমান পশুত্ব থাকিব পাৰে, এই বন্দীৰ মুখতে তাৰ প্ৰকৃত প্ৰতিফলন পৰিলক্ষিত হৈছে। অনুমতি দিয়ে যদি—এই বন্দীৰ

চিত্র আঁকিব পাৰোঁ।"

ৰজাই অনুমতি দিয়াত শিল্পী অনন্ত তৎক্ষণাৎ কাৰাগাৰলৈ গ'ল। আৰু অনন্তক দেখা পায়েই বন্দী তলমূৰ হ'ল।

অনন্তই সেই চোৰ বন্দীক ক'লে যে তাৰ চিত্ৰ আঁকিব লাগিব। আৰু তেতিয়া চোৰ বন্দী স্থিৰভাৱে বহি থাকিল।

ধীৰ-স্থিৰভাৱে বহাৰ কাৰণে চিত্ৰ অঁকাত সৰহ পৰ নালাগিল। চিত্ৰখন অঁকাৰ অন্তত অনন্তই ভালেই পাইছিল।

বন্দীৰ সহযোগিতাত আনন্দিত অনন্তই পঁচিছ বছৰৰ আগতে ৰজাই তাক যিটো আঙঠি দিছিল, সেই মূল্যৱান আঙঠিটো বন্দীলৈ উপহাৰ দিবলৈ ধৰাত বন্দীয়ে অনন্তক ক'লে, "আপুনি মোক চিনি পোৱা নাই, নহয়?"

শিল্পী অনন্তৰ অজ্ঞতালৈ লক্ষ্য কৰি বন্দীয়ে হাঁহি হাঁহি পুনৰ ক'লে, "আনকি ৰজায়ো মোক চিনি নোপোৱা হ'ল—এয়া মোৰেই দুৰ্ভাগ্য!"

"তোমাক মহাৰাজে যেতিয়া দণ্ড বিহিলে, কথাটো তেতিয়া নক'লা কিয়?" শিল্পী অনন্তই বন্দীক সুধিলে।

"সময় উকলি গ'ল বুলি ভাবি কোৱা নাছিলোঁ। কিন্তু এতিয়া দেখিছোঁ—সময় উকলি যোৱা নাই। আপুনি মোক মহাৰাজৰ ওচৰলৈ লৈ যাব পাৰিবনে?" বন্দীয়ে শিল্পী অনন্তক ক'লে।

বন্দীৰ কথাত ৰহস্যৰ উমান পাই অনন্তই ৰজাক সকলো কথা ক'লেগৈ। অনন্তৰ কথা শুনি ৰজাৰ মনতো সন্দেহই উক দি উঠিল। ৰজাই বন্দীক তেওঁৰ আগত লৈ আহিবলৈ প্ৰহৰীহঁতক ক'লে।

ৰজাৰ সমুখত থিয় হৈ, শিল্পী অনন্তলৈ আঙুলিয়াই, বন্দী মানুহজনে ৰজাক ক'লে, "মহাৰাজ, মোৰ আজিৰ এই দুৰ্ভাগ্যৰ বাবে এইজন শিল্পীয়েই দায়ী। মোৰ অৰ্থলোভ এবাৰ জাগ্ৰত কৰিয়েই এই শিল্পী ক্ষান্ত নহ'ল, পুনৰ মোৰ মনত দুৰাশাৰ দুঃসহ জুই জ্বলাই তুলিবলৈ বহু দিনৰ আগতে আপোনাৰ প্ৰদত্ত আঙঠিটো মোক দিবলৈ— "

"শিল্পী অনন্তক মই যে আঙঠি দিছিলোঁ—তুমিনো জানিলা কেনেকৈ?" অবাক ৰজাই বন্দীক সুধিলে।

বন্দীয়ে নীৰৱ হাঁহিৰে মুখখন উজলাই ক'লে, "মহাৰাজ, পঁচিছ বছৰৰ আগতে মই আছিলোঁ এজন সবল গৰখীয়া ল'ৰা। এদিন দুপৰীয়া মই নিঃশংক চিতেৰে গভীৰ অৰণ্যৰ মাজত নিদ্ৰিত হৈ থাকোঁতে এই শিল্পীয়ে মোৰ চিত্ৰ আঁকিছিল। সেই চিত্ৰ চাই আপুনি এওঁক এধাৰ মূল্যৱান মালা উপহাৰ দিছিল, আৰু সেই মালাধাৰ এওঁ দিছিল মোক। সিদিনাৰ সেই মালায়েই আজি মোৰ ফাঁচীৰ জৰী হৈ ওলমিছে, মহাৰাজ!"

অতিপাত বিস্মিত ৰজাই গৰখীয়াৰপৰা সেই মালাৰ বিস্তৃত বিবৰণ শুনিবলৈ বিচৰাত বন্দী গৰখীয়াই ক'লে, "মহাৰাজ, সেই মহামূল্যৱান মালাধাৰ বেচিবলৈ গৈ মই বিপদত পৰিছিলোঁ। মোৰ পোছাক-পাতি আৰু এনে মূল্যৱান মালাৰ মাজত অলপো সামঞ্জস্য নথকাত সোণাৰিৰ মনত সন্দেহ উপস্থিত হ'ল, আৰু সন্দিগ্ধ সোণাৰিয়ে মোক আপোনাৰ প্ৰহৰীহঁতৰ হাতত গটাই দিলে। প্ৰহৰীহঁতক মই সত্য ঘটনাৰ কথা বুজাই ক'বলৈ বহু ধৰণে চেষ্টা কৰি

চালোঁ, কিন্তু মোৰ সকলো চেষ্টা ব্যৰ্থ। প্ৰহৰীহঁতে মোক চোৰ হিচাপে বন্দী কৰিলে। মোক চোৰ-ডকাইতহঁতৰ লগত কাৰাগাৰত ভৰাই থোৱা হ'ল। আৰু ময়ো এটা লেতেৰা চোৰ হিচাপে গণ্য হ'লোঁ।"

বন্দীৰ সকলো কথা শুনাৰ অন্তত ৰজাই ভাবিলে: বেচেৰা! যিজন সহজ-সৰল যুৱক এদিন আছিল গৰখীয়া, যাৰ অন্তৰখন আছিল সন্দেহমুক্ত, আনকি বনৰ বাঘলৈকো যাৰ মনত আছিল সৰল বিশ্বাস—আজি সেইজন সৰল গৰখীয়ায়েই ভাগ্যৰ বিড়ম্বনত কেনে অৱস্থাৰ সন্মুখীন!

ৰজা সুকেতুৱে আৰু অলপ পৰলৈ ভাবি লৈ বন্দীক সুধিলে, "তোমাৰ এই কাৰ্য্যৰ বাবে তুমি অনুতপ্ত নে?"

ৰজাৰ এই প্ৰশ্নৰ উত্তৰত বন্দীয়ে ক'লে, "মহাৰাজ! কালিলৈ যিটো মানুহক ফাঁচীৰ জৰীত ওলোমোৱা হ'ব, আজি তাক আৰু এনেবোৰ প্ৰশ্ন কৰি আপোনাৰ বা আন কাৰনো কি লাভ?"

ৰজা সুকেতুৱে বন্দীক ক'লে, "তোমাক মই তোমাক মুক্ত কৰি দিলোঁ। এতিয়াৰে-পৰাই তুমি মুক্ত। আৰু—তোমাক মই মোৰ অধীনত কামত নিযুক্ত কৰিছোঁ। তোমাৰ কাম হ'ব—মোৰ দৰে যিবোৰ পশুত্বসম্পন্ন মানুহ আছে, সেই পশুত্ব-সম্পন্ন মানুহবিলাকক মনুষ্যত্বসম্পন্ন কৰি তোলা।" এই বুলি কোৱাৰ অন্তত ৰজাই তেওঁৰ ডিঙিত থকা মূল্যৱান হাৰ এধাৰ বন্দী গৰখীয়ালৈ উপহাৰ হিচাপে আগ-বঢ়াই ক'লে, "এই মূলৱান হাৰ তুমি কদাপি অপাত্ৰত দান নকৰিবা। বৃদ্ধ লোকসকলে কয়: অনিষ্টৰ অন্য নাম অপাত্ৰত দান। এইষাৰ বচন যে কিমান মূল্যৱান বুজিছাই। তুমি নিজে মনত ৰাখিবা, আৰু আন মানুহকো এই কথাষাৰ মনত ৰাখিবলৈ ক'বা।" এই বুলি কৈ, ৰজা সুকেতুৱে গৰখীয়াক সসন্মানে বিদায় দিলে।

কবিতা ক'ৰপৰা ওলায়

কোনো এখন গাঁৱত এহাল হালোৱা হালোৱানী আছিল। সিহঁতহালৰ বিয়া হোৱাৰ বহু বহু বছৰৰ অন্তত সিহঁতৰ এটি ল'ৰা উপজিল। ল'ৰাটিৰ নাম ৰখা হ'ল সুলোচন।

সৰুৰেপৰাই, খেতি-বাতিৰ কামৰ প্ৰতি সুলোচনৰ আকৰ্ষণ নথকা দেখা গৈছিল। সি সদায় লিখা-পঢ়াকে কৰিব খুজিছিল। তেতিয়া সুলোচনৰ দেউতাকে সুলোচনক গাঁৱৰ পণ্ডিতৰ ওচৰলৈ পঠালে।

আৰু— কথা আচৰিত যেন লাগিলেও সঁচা, দহ বছৰ বয়স পূৰ নোহওঁতেই সুলোচনে এই পণ্ডিতে জনাখি শিকিনি পেলালে আৰু কবিতা লিখিবলৈ ধৰিলে।

সুলোচনেই সিহঁতহালৰ একমাথোন সন্তান হোৱাত তাক হালোৱা হৰকান্তই আৰু আমনি নিদিলে। হৰকান্তই তাৰ ঘৈণীয়েকক ক'লে, "চোৱাঁ, আমাৰ হালোৱাৰ কামলৈ তাৰ একেবাৰে ৰাপ নাই, এতেকে তাক মিছামিছিকৈ এইবোৰত সাঙোৰাৰ চেষ্টাতো লাভ নহ'ব। আমি আৰু অলপ বেছিকৈ শ্ৰম কৰি, আয়-উপাৰ্জন এতিয়াতকৈ বঢ়াই, সি যাতে আগলৈ সুখতে থাকিব পাৰে, তাৰ বন্দৰস্ত কৰি থৈ যাম।"

হালোৱানী নন্দৰাণী হালোৱা হৰকান্তৰ প্ৰস্তাৱত মান্তি হ'ল। কিন্তু দুৰ্ভাগ্য কিছুদিনৰ পাছত হৰকান্তক সাপে খুটি মাৰিলে। হালোৱাক সাপে খুটি মাৰি পেলোৱাৰ খবৰটো পোৱাৰ লগে লগে হালোৱানীও এই আকস্মিক আঘাত সহিব নোৱাৰি ঢুকাল। আৰু

আলাসত উঠা সুলোচন মাউৰা হ'ল।

আত্মীয়-কুটুমইঁতৰ মাজত আঢ্যৱন্ত এঘৰে সুলোচনক ৰাখিলে কিছুদিনৰ বাবে। আৰু সেই কিছুদিনৰ ভিতৰতে নানান কৌশল কৰি তাৰ পিতৃ-সম্পত্তিখিনি হাত কৰি লোৱাৰ অন্তত এদিন সুলোচনক ক'লে, "তোমাক আমি এনেয়ে খুৱাব-বুৱাব নোৱাৰিম বাচা। তুমি হয় আমাৰ লগে লগে খেতি-বাতিৰ কাম কৰিবা, নহ'লে তোমাৰ বাট তুমিয়েই উলিয়াই ল'বা।"

এই কথা শুনি, এদিন ভাবি-গুণি, মাউৰা সুলোচন যিপিনে চকু যায় সেই পিনৰ পোনে পোনে ওলাল। গৈ গৈ সি অটব্য অৰণ্য পালেগৈ। অৰণ্যৰ গছ-বন পশু-পক্ষী আদি চাই তাৰ মনত অপাৰ আনন্দ হ'ল। আৰু সি লগে লগে চাৰিটা কবিতা ৰচিলে।

যিজোপা গছৰ তলত বহি সুলোচনে কবিতা লিখিছিল, সেই গছজোপাত বহুকালৰপৰা এটা ব্ৰহ্মদৈত্য বাস কৰি আছিল। এই ব্ৰহ্মদৈত্যটোৱে কবিতা শুনি বৰ ভাল পাইছিল। ব্ৰহ্মদৈত্যটোৱে গছৰপৰা সুৰুংকৰে নামি আহি সুলোচনক ক'লে, "বহুকাল হ'ল—মই এটাও কবিতা শুনা নাই। তুমি মোক প্ৰতিদিন কবিতা শুনাবা, পৰিৱৰ্তে তুমি যি খুজিবা দিম।"

দৈত্যৰ প্ৰস্তাৱত সুলোচন সন্মত হ'ল। তাৰ পাছত বহু বছৰ পাৰ হ'ল।

এদিন ব্ৰহ্মদৈত্যই স্থলোচনক ক'লে, "স্থলোচন, ইমান বছৰ ধৰি মই তোমাৰ কবিতা শুনিলোঁ, কাৰণে তোমাৰ সেৱা-যত্ন কৰিলোঁ। তুমি মোক লৈ এটা কবিতা লিখিবা বুলি আশা কৰোঁ।"

এই কথাৰ উত্তৰত স্থলোচনক ক'লে, "কবিতা — লিখিম বুলিলেই লিখিব নোৱাৰি। কবিতা মনৰ নিজৰাৰপৰা নিগৰি ওলালেহে লিখিব পাৰি।"

"সেইবোৰ বেতেৰি-বন্ধীয়া কথা বাদ দিয়া। মোৰ নামত কবিতা নিলিখালৈকে মই তোমাক এই অৰণ্যৰ বাহিৰ ওলাবলৈ নিদিওঁ। আনকি—অৰণ্যৰ হিংস্ৰ জন্তু-জানোৱাৰৰপৰাও তোমাক আৰু ৰক্ষা নকৰোঁ মই।" ব্ৰহ্মদৈত্যই ক'লে।

"চোৱাঁ, তোমাৰ ডাবি-ধমকিৰে মোৰ কবিতা নোলাব।" স্থলোচনে ক'লে।

তেতিয়া ব্ৰহ্মদৈত্যই স্থলোচনৰ খোৱা-বোৱা বন্ধ কৰি দিলে। কিন্তু তথাপি স্থলোচনে ব্ৰহ্মদৈত্যক লৈ কবিতা নিলিখিলে। তাৰ পাছত এদিন উগ্ৰ খঙতে ক্ৰুদ্ধ ব্ৰহ্মদৈত্যই কবি স্থলোচনক শূন্যলৈ দলিয়াই দিলে।

ব্ৰহ্মদৈত্যটোৱে তাৰ সমস্ত শক্তিৰে স্থলোচনক দলিয়াই পেলোৱাত স্থলোচন বহু বহু দূৰলৈ পৰিলগৈ। কিন্তু নৈ, জান বা গেবেকনিতো নপৰিল, পৰিলগৈ দেশৰ ৰজাৰ শয়নকক্ষৰ স্থকোমল শয্যাৰ ওপৰত—ৰজাৰ কাযত। আৰু লগে লগে ৰজা জাগি উঠিল। তেওঁ চমকি উঠি স্থলোচনক স্থধিলে, "তুমি কোন? তুমি ইয়ালৈ কেনেকৈ আহিলা?"

স্থলোচনে ৰজাক সকলো কথা ক'লে।

এনে নাভূত-নাশ্ৰুত কথা বিশ্বাস কৰিবলৈকো টান পালে ৰজাই, তথাপি, তেওঁ স্থলোচনৰপৰা কবিতা শুনিব খোজাত স্থলোচনে কবিতা শুনালে। শুনি ভালেই পালে ৰজাই। তেওঁ স্থলোচনক ক'লে, "ঠিক আছে, তুমি মোৰ ইয়াত কেইদিনমান

থাকাঁ।” ৰজাৰ প্ৰস্তাৰত সুলোচন সন্মত হ'ল।

ৰজাই আৰু ৰাজঘৰীয়া সকলোটিয়েই সুলোচনৰ কবিতাক হিয়া উবুৰিয়াই শলাগিলে। সুলোচনে ৰাজপ্ৰাসাদৰ বিতোপন ৰূপ, ৰাজধানীৰ পৰিবেশ, ৰাজধানীৰ কাষেদি বৈ যোৱা নৈ, আৰু ৰজাৰ উদ্যানৰ বিষয়তো লিখা গভীৰ অৰ্থপূৰ্ণ সুন্দৰ সুন্দৰ কবিতা কিছুদিনৰ ভিতৰতে লোকৰ মুখে মুখে শুনা গ'ল।

এদিন মহাৰাণীয়ে মহাৰাজক ক'লে, "যিকোনা ভাল বিষয়ৰ প্ৰচাৰ কবিতাৰ যোগেদিয়েই হয়। সুলোচনে যদি তোমাক নায়ক আৰু মোক নায়িকা হিচাপে লৈ কাব্যগ্ৰন্থ ৰচে, তেনেহ'লে যুগ যুগ ধৰি আমাৰ নাম প্ৰচাৰিত হ'ব।"

মহাৰাণীৰ কথাত মহাৰাজেও ভালেই পালে। সুলোচনে লিখে যদি তেওঁলোক ইতিহাসত অক্ষয় অমৰ হৈ থাকিব।

ৰজাই সুলোচনক ৰাণীৰ প্ৰস্তাৱৰ কথা কোৱাত সুলোচনে ক'লে, "মহাৰাজ, মনৰপৰা ওলালে যিকোনো বিষয়তে কবিতা লিখিব পাৰোঁ। কিন্তু আদেশমতে কবিতা লিখিব নোৱাৰোঁ। কবিতা— জোৰ-জুলুমৰপৰা নোলায়।"

তথাপি ৰজাই সুলোচনক ক'লে, "আশা কৰোঁ—এমাহৰ ভিতৰত তুমি এই কাব্যগ্ৰন্থ লিখি উলিয়াবা।" ৰজাই সুকৌশলে সুলোচনক নজৰবন্দী কৰি



ৰাখিলে, যাতে সুলোচন ৰাজধানী এৰি একোপধ্যে গুচি যাব নোৱাৰে।

কিন্তু এমাহৰ ভিতৰতো যেতিয়া কাব্যৰ 'ক'টোও লিখা নহ'ল, তেতিয়া ৰজাই সুলোচনক কাৰাগাৰত বন্দী কৰি থ'লে।

এবছৰ কাৰাগাৰত বন্দী কৰি ভৰাই থোৱাৰ অন্তত এদিন ৰজাই তাক সুধিলে, "কাৰাগাৰত থাকি কেনে পাইছা?"

"মহাৰাজ, কাৰাগাৰত থাকি মোৰ মন ঈশ্বৰৰ প্ৰতি আকৃষ্ট হৈছে। ঈশ্বৰৰ চিন্তা কৰি মই আনন্দৰে কাল কটাইছোঁ।"

"কথাতে বোলে — নেদেখা জন। নেদেখাক লৈ লিখি লাভনো কি? আমাৰ কথা লৈ কাব্য লিখিলে তুমি বিচৰা মতে বস্তু পালাহেঁতেন। মহাৰাণীয়েও তোমাক মূল্যৱান বস্তু নিশ্চয় দিলেহেঁতেন।"

তেতিয়া সুলোচনেৰ জাক এটা কবিতা শুনালে। কবিতাটোত লিখা আছিল:

'ঈশ্বৰৰ অনুগ্ৰহতে এটা ব্ৰহ্মদৈত্যৰ কবলৰপৰা ৰক্ষা পৰি মই যে আন এটা দৈত্যৰ কবলত পৰিছোঁহি—সেই কথাটো মই বৰ পলমকৈ বুজি পাইছোঁ। দৈত্যইঁতে দাঁত নিকটাই ভয় খুৱাব পাৰিলেও কবিৰ অন্তৰৰপৰা কবিতাৰ নিজৰা কদাপি বোৱাব নোৱাৰে।

সুলোচনৰ এই কবিতাটোৰ বক্তব্য শুনি ৰজাই এই কথা অনুভৱ কৰিলে যে অৰণ্যৰ দৈত্য আৰু তেওঁ দৰাচলতে একেই আচৰণ কৰিছিল। ৰজাই সুলোচন কাৰাগাৰৰপৰা মুক্ত কৰি দিলে আৰু ক'লে, "তোমাৰ কবিতা শুনি মোৰ জ্ঞানোদয় হ'ল। মোৰ ভুল মই বুজি পালোঁ। তুমি মুক্ত। এতিয়াৰপৰা তোমাৰ ইচ্ছামতে তুমি কবিতা লিখিব পাৰা।"

পৰৱৰ্তী দিনবিলাকত কবি সুলোচনে ৰজা আৰু ৰাণীক অৱলম্বন কৰি এখন কাব্যগ্ৰন্থ ৰচনা কৰিছিল আৰু এই কাব্যগ্ৰন্থই মহাকাব্য হিচাপে খ্যাতি আৰ্জিছিল।

শ্ৰমৰ মাধুৰ্য্য

কোনোবা এখন গাঁৱত ৰাম আৰু ৰামী নামৰ এহাল দম্পতী আছিল। ৰাম আছিল বন-বাৰী কৰিবলৈ আগ নবঢ়া এলাবাং। সি মৰ-খাৱনে খাই, নাওপেটাটি হৈ টলৌ টলৌকৈ ঘূৰি ফুৰিছিল। ঘৈণীয়েকে তাক ছুসাজ খাবলৈ দিয়াৰ আগে-পাছে নিয়মীয়াকৈ গালি পাৰিছিল, ককৰ্থনা-বিকৰ্থনা কৰিছিল; কিন্তু সেইবোৰ গালি-ছালি ৰামৰ গঁড়হেন ছালৰপৰা স্থুকুংকৰে পিছলিহে গৈছিল।

এদিন ঘৰত চাউল নোহোৱা হ'ল, ৰামীয়েও নাৰান্ধি হাত সাৰটি বহি থাকিল। খোৱাৰ সময় হ'ল, ৰাম খাবলৈ আহিল। ৰামীয়ে সদায় দিয়াৰ দৰে আজিও এপালি গালিৰ দৰব দি ৰামক ক'লে, "শুনা, তুমি যদি কোনোদিনে কাম-বন নকৰা, মই অকলে অকলে কিমান দিন সংসাৰ চলাম? তুমি কাম নকৰিলে, ময়ো খাবলৈ দিব নোৱাৰিম, কৈ থ'লোঁ একা। যদি কাম-বন কৰিবই নোৱাৰা, কিবা কামত যদি ধৰিবই নোৱাৰা, চুৰি কৰি আনাগৈ।"

ৰামে আচৰিত মানি ক'লে, "তুমি বাৰু সঁচাকৈ' মোক চুৰি-চাপাচীত ধৰিবলৈ কোৱাঁনে কি? চুৰি কৰা হ'ল মহাপাপ। আৰু—চুৰি কথাটো আচলতে যিকোনো কামতকৈ টান কাম। মই পাৰিমনে?"

"সেইবোৰ কথা ৰুলে নহ'ব নহয়? মই কোৱা মতে যদি কাম নকৰিছা, বাঢ়নীৰে কোবাই ঘৰৰ বাহিৰ কৰিম—মনত ৰাখিবা।" ৰামীয়ে এই কথা ৰামৰ নাকৰ আগত বাঢ়নীডাৰ জোকাৰিলে।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ৰামে ভয় খাই ক'লে, "চোৰ্‌, মই চুৰি কেনেকৈ' কৰে—তাকো নাজানো। তুমি মোক শিকাই দিয়া।"

"গধূলিৰ পাছতো বহুতে খেতি-পথাৰত কাম নকৰা নহয়। সিহঁতৰ ঘৰৰপৰা ধান-চাউল চুৰি কৰি আনাগৈ।" ৰামীয়ে ক'লে।

আৰু তেতিয়া ৰামীৰ কথাত ৰামে চুৰিত ধৰিলে। এই কামত ৰামীয়ে ৰামক নানান ধৰণে সহায়ো কৰিলে।

ৰামীৰ পৰামৰ্শ মতে, ৰামে এদিন যাৰ ঘৰৰপৰা চুৰি কৰিছিল, তাৰ ঘৰলৈ সি দুনাই চুৰি কৰিবলৈ নগৈছিল।

কিছুদিনৰ অন্তত গাঁৱৰ ৰাইজেও ধানচোৰক ধৰিবলৈ উঠি-পৰি লাগিল।

এদিন ৰাম ওলাল গাঁওবুঢ়াৰ ঘৰত চুৰি কৰিবলৈ। আৰু ৰাম হাতে-লুটে ধৰা পৰিল গাঁৱৰ ৰাইজৰ হাতত। গাঁৱৰ ৰাইজে ৰামক গাঁওবুঢ়াৰ ঘৰৰ চোতালতে কটকটীয়াকৈ বান্ধি পেলাই থ'লে।

বহু সময়ৰ পাছতো যেতিয়া ৰাম ঘৰলৈ উভতি নাহিল, তেতিয়া বিপদ গণি, ৰামীয়ে ৰামক চিঞৰি মাতিবলৈ ধৰিলে, "তুমি ক'ত আছা হেৰা—?"

"ইয়াত আছোঁ—।" ৰামে ক'লে।

গাঁওবুঢ়াই ৰামক সুধিলে "ক'ত আছা—ইয়াত আছোঁ—এইবোৰৰ অৰ্থ কি হে? সঁচা কথা ক'বা, নহ'লে তোমাক মাৰি ভৈয়াম কৰিম।" গাঁওবুঢ়াই হুমিয়ালে।

তেতিয়া ৰামে গাঁওবুঢ়াক গুৰিৰেপৰা সকলো কথা কৈ দিলে। তাৰ কথাবোৰ শুনি মানুহবিলাকে গিৰ্জনি মাৰি হাঁহি উঠিল, কিন্তু ৰামে ভেঁকৈ কান্দি দিলে।

গাঁওবুঢ়াই ৰামীক ছিছিকাৰ কৰি ক'লে, "গিৰিয়েৰক চুৰিৰ বাট নেদেখুৱাই সজ বাট দেখুৱাব নোৱাৰিলানে?"

এই ঘটনাৰ পাছৰপৰা ৰামে কঠোৰ শ্ৰম কৰি জীৱন যাপন কৰাৰ মাধুৰ্য্য উপলব্ধি কৰিব পাৰিছিল।



শম্বুক-গতি

শম্বুকে বৰ বেগেৰে গৈ থাকিলেও ঘণ্টাত ১৬৫ ফুটতকৈ অধিক দ্ৰুতগতিৰে যাব নোৱাৰে। শম্বুক-গতিৰ এই দূৰত্ব হ'ল ০·০৩১৩ মাইল বা ৫০·৩ মিটাৰ।

গঁড়ৰ 'শিং'

হৰিণা বা অন্যান্য অনেক জন্তুৰ থকাৰ দৰে গঁড়ৰো শিং নথকা নহয়। কিন্তু গঁড়ৰ শিঙত হাড় নাই, তাৰ নোমেৰেহে শিং হয়। নোমবোৰেই এসময়ত হাড়ৰদৰে টান শিঙলৈ পৰিৱৰ্তিত হয়।

নেতা বদল

হাঁহ-জাতীয় এবিধ চৰায়েও 'V'ৰ দৰে লানি পাতি উৰি গৈ থাকে। আগশাৰীত থকা চৰাইটোক অনুসৰণ কৰি পিছৰবোৰ চৰাই উৰে। বহুতো পৰলৈকে উৰণৰ পাছত আগত থকা নেতা-চৰাইটোৱে তাৰ পিছৰটোক নেতৃত্ব কৰিবলৈ দিয়াত এটাও আচৰিত নহয়।

অনুকাৰী

ছাপিঞ্চ নামৰ কণমানি চৰাইবোৰে গীত গাব নোৱাৰে; অন্য চৰাইৰ গীত-মাত অনুকৰণ কৰিবলৈ চেষ্টা কৰে।

চুপাৰফাইটাৰ!
FOAMING
Forhan's
FLUORIDE
The toothpaste that tightens gums, fights cavities
তেওঁৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ"
সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে
চুপাৰব্যাটচমেন হিচাপে। কিন্তু সুনিল
গাভাচকাৰে নিজে কয় "মই এজন
চুপাৰফাইটাৰ, মই বিচাৰো মোৰ লৰাটোও
যাতে তেনে হয়। সেয়েহে মই সৰুৰ পৰাই
শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে
দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে
সচাকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত ৰৈ যোৱা খাদ্যকণাই
ৰোগ-বীজাণু জন্মাই আৰু তাত নিগৰিত
এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স
চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি
দাঁতৰ আবু মজবুতভাৱে সুৰক্ষিত কৰে।
সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু
দাঁতবো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ
এচট্ৰিনজেণ্টয়ে আৰু মজবুত কৰি ৰাখে।
সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু
দীৰ্ঘায়ু কৰি ৰাখে।
সুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক
দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"
ফৰহান্স

GM-113/86 Ass

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণদুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত
* মিল থাকিবলাগিব। ১৯৮৭ চনৰ ডিছেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ অকট'বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পানীত তিতে গাই

দ্বিতীয় ফটো : সিহঁতৰ ছাতি নাই

পুৰস্কাৰ প্ৰাপক : গৌৰী বৰা, সুতাৰ এম. ই. স্কুল, বৰঙাতলি, নগাঁও।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিত্তুৰ, অ.প্ৰ.
CLARION/NC/8636